গান্ধীজীৰ গঠনমূলক কাৰ্য্য পদ্ধতি

—মহাত্মা গান্ধী

অনুবাদক—শ্ৰীজীৱনানন্দ দত্ত
গুৱাহাটী

প্ৰকাশক :—

গ্ৰেজুৱেট্‌চ্‌ ইউনিয়ন;

গুৱাহাটী।

প্ৰথম—প্ৰকাশ

মূল্য—৷৵০ অনা

ট্ৰিবিউন প্ৰেচ

গুৱাহাটী

মহাত্মাজীর গঠনমূলক কার্য্য পদ্ধতি

—০—

———মহাত্মা গান্ধী———

অনুবাদক—শ্রীজীবনানন্দ দত্ত

গুৱাহাটি

মহাজনো যেন গতঃ স পন্থা

তর্পন

মহামানব 'মহাত্মা'র

পবিত্র

স্মৃতিত

—অনুবাদক—

শলাগৰ শৰাই

পুস্তিকা খনি প্ৰকাশ কৰাৰ প্ৰবল ইচ্ছা থকাতো আজি দুবছৰ ধৰি কাগজ আৰু ছপা যন্ত্ৰৰ অভাবত ছপাব পৰা নাছিলোঁ।

এইবাৰ কেবাজনো বন্ধুৰ উদগনি পাই লৰা লৰি কৰি ছপোৱা হল। অনুবাদ আৰু তাৰ ভাষা কি ধৰণৰ হৈছে নাজানো। কিবা ভুল ভ্ৰান্তি থাকিলে পাঠক সকলে আঙু-লিয়াই দি বাধিত কৰে যেন।

শ্ৰদ্ধেয় শ্ৰীযুত লক্ষেশ্বৰ শৰ্ম্মা বি, এল, এ, চি, এচ ডাঙৰীয়াই মোৰ কিতাপখনিত চকু ফুৰাই চাই দুই চাৰিটা আপত্তিৰ ঠাইত শব্দ বা বদল কৰি দি সোনকালে ছপাই উলিয়াবলৈ উৎসাহ দিয়াৰ বাবে আমি এইখিনিতে তেখেতৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

—অনুবাদক—

আগ কথা

ইয়াত লিখা কথাবোৰ গুণানুসাৰে নাইবা অইন কোনো প্ৰকাৰে জুকিওৱা হোৱা নাই।

যদি কোনো পাঠকে দেখে যে স্বাধীনতাৰ কালৰ পৰা দৰ্কাৰী কোনো বিষয় বাদ পৰি গৈছে তেনেহলে তেওঁ জানিব লাগিব যে এই ক্ৰুটী ইচ্ছাকৃত নহয়। তেওঁ কোনো বিষয় বোধ নকৰাকৈ সেইটো ইয়াত যোগ কৰি লব আৰু মোক জানিব দিব। মোৰ এই তালিকা সম্পূৰ্ণ নহয়—ই কেৱল নিদৰ্শনহে মাথোঁন। (পাঠক সকলে বহুতো নতুন আৰু লাগতিয়াল বিষয় পাব।)

পাঠক সকল স্বেচ্ছা সেৱক, আৰু কৰ্ম্মী হওকেই বা নহও-ওকেই তেওঁলোকে এইটো নিশ্চয়কৈ উপলব্ধি কৰা উচিত যে এই গঠনমূলক আচঁনিয়েই "পূৰ্ণ স্বৰাজ" লাভৰ সম্পূৰ্ণ আৰু অহিংস উপায়। ইয়াৰ পৰিসমাপ্তি হব সম্পূৰ্ণ স্বাধীনতাত।

চিন্তা কৰক গোটেই ৪০ কোটি লোকৰ সকলোৱে গঠনমূলক আচঁনি লৈ গোটেই জাতিটোৰে আমূল পৰিবৰ্ত্তন কৰি গঠন কৰিবলৈ লাগি যোৱাৰ কথা। এই বাক্যৰ অৰ্থ হৈছে সকলো প্ৰকাৰে স্বাধীনতা অৰ্জ্জন কৰা আৰু বৈদেশিক শাসনো উচ্ছেদ কৰা—এই কথা কোনোবাই নুই কৰিব পাৰিবনে? উপায়ন্তৰ নাই।

যেতিয়া সমালোচক সকলে এই কথা শুনি হাহে তেতিয়া তেওঁলোকে এইটো বুজাব খোজে যে—এই আচনি মতে কাম কৰিবলৈ ৪০ কোটি লোকৰ আটাইয়ে সহযোগ নকৰিব। এই কথাত কিছু সত্য আছে তাত সন্দেহ নাই। মোৰ উত্তৰ হৈছে—এই যে সময় হলেও চেষ্টা কৰাটো বেয়া নহয়।

আগ্ৰহান্বিত কৰ্ম্মীসকলৰ অদম্য ইচ্ছা থাকিলে এই আচনি বহুতভাৱে বেছি কাৰ্য্যকৰী হব। যিয়েই নহওক—অহিংসাৰ ওপৰত প্ৰতিষ্ঠিত আন এটি আচনি মোৰ আৰু নাই।

আইন অমান্যকাৰী জনসমূহৰেই হওক বা ব্যক্তি বিশেষৰেই হওক ই গঠন মূলক প্ৰচেষ্টাৰ সহায়ক আৰু সশস্ত্ৰ বিদ্ৰোহৰ স্থান পূৰক।

আইন অমান্যকাৰীৰ বাবেও শিক্ষাৰ দৰকাৰ আৰু সশস্ত্ৰ বিদ্ৰোহৰ বাবেও শিক্ষাৰ দৰকাৰ। কেৱলমাত্ৰ প্ৰণালী বেলেগ। দুয়োটাৰে কাৰ্য্যাৰম্ভ হয়—প্ৰয়োজন মতে। সামৰিক বিদ্ৰোহ মানে হৈছে অস্ত্ৰ শস্ত্ৰৰ ব্যৱহাৰ শিক্ষা আৰু ইয়াৰ শেষ, বাধ্য হয় আনবিক বোমা। আইন অমান্যৰ মানে হৈছে—গঠন মূলক কাম।

অসহযোগ আন্দোলন

সেই বুলিয়েই যে কৰ্মী সকলে আইন অমান্যৰ সুবিধা বিচাৰি থাকিব লাগে তেনে নহয়। তেওঁলোকে সাজু হৈ চাই থাকিব লাগে—গঠন মূলক কাম ব্যৰ্থ কৰিবলৈ প্ৰতিচেষ্টা কৰা হয় নেকি। এটা বা দুটা উদাহৰণৰ পৰাই ই ক'ত সম্ভৱপৰ হয় আৰু ক'ত সম্ভৱপৰ নহয় জানিব পৰা যাব।

আমি জানো ৰাজনৈতিক চুক্তি উফৰিব পাৰে আৰু উফৰি গৈছেও। কিন্তু ব্যক্তিগত বন্ধুত্ব গুচাব নোৱাৰি। এনেধৰণৰ স্বাৰ্থহীন আৰু উচিত বন্ধুত্বহে ৰাজনৈতিক চুক্তিৰ ভিত্তি হব লাগে।

(ওপৰৰ নিচিনাকৈ) গৱৰ্ণমেণ্টে কেন্দ্ৰীভূত সমস্তুৱা খাদি আন্দোলন ব্যৰ্থ কৰিব পাৰে। কিন্তু ব্যক্তিগত ভাৱে খাদি তৈয়াৰ কৰা বা ব্যৱহাৰ কৰাটো কোনো শক্তিয়ে পৰাজিত কৰিব নোৱাৰে।

খাদি তৈয়াৰ কৰা বা ব্যৱহাৰ কৰাটো জনসাধাৰণৰ ওপৰত বল প্ৰয়োগ কৰি জাপি দিব নালাগে। ইয়াক স্বাধীনতা আন্দোলনৰ এটা অঙ্গস্বৰূপে সজ্ঞানে আৰু সাগ্ৰহে গ্ৰহণ কৰিব লাগে।

এইটো কেৱল গাওঁতহে সঙ্ঘবদ্ধ ভাবে কৰিব পাৰি। এই আঁচনিমতে বাট দেখুৱাওঁতা সকলেও বাধা পাব পাৰে। পৃথিবীত তেওঁলোকে দুৰ্দ্দশাৰ দাবানলৰ মাজেৰে যাব লাগিব। কিন্তু দুৰ্দ্দশা বিনে স্বাধীনতা হোৱা নাই।

হিংসাত্মক সংগ্ৰামত সংস্থাই প্ৰথমে আৰু আটাইতকৈ বেছি কষ্ট পাব লাগে। অহিংসাত সত্যাই সদায় জয়ী। ওপৰন্তু আমি চৰকাৰৰ লোক সকলক শত্ৰু হিচাবে ভাবিব নালাগে। তেনে ভবাটো অহিংসাৰ পৰিপন্থী। আমি তেওঁলোকৰ পৰা পৃথক হব লাগিবই, কিন্তু বন্ধু ভাবেহে।

যদি এই মূল কথাবোৰ পাঠকৰ মনত থাকে তেনেহলে তেওঁৰ এই গঠন মুলক কামত ৰাপ বহিব। এই কৰ্ম্ম পদ্ধতি ৰাজনীতি বা বাগ্মিতাৰ দৰে সকলোৱে সামৰি লোৱা বিধৰ হব লাগিব আৰু তাতোকৈ দৰকাৰী আৰু ফলদায়ক হব লাগিব নিশ্চয়।

গঠনমূলক আঁচনি

গঠন মূলক আঁচনিক সংক্ষেপে অন্য প্ৰকাৰে আৰু খাপ খোৱা ভাবে কবলৈ হলে ইয়াক সত্য আৰু অহিংস ভাবে "পূৰ্ণ স্বৰাজ" বা সম্পূৰ্ণ স্বাধীনতাৰ গঠন বুলিব পাৰি।

হিংসা আৰু চোৰ (লগৰীয়া) অসত্যৰ সহায়ত স্বাধীনতা অৰ্জ্জন কৰা কথা আমি ভাবিবই নোৱাৰোঁ। বৰ্ত্তমান সমৰত

হোৱা ধন-সম্পত্তি, প্ৰাণ আৰু সত্যৰ বিনাশৰ পিনেই লক্ষ্য কৰিলেই বুজিব পৰা যায়।

সত্য আৰু অহিংস উপায়ে সম্পূৰ্ণ-স্বাধীনতা অৰ্জ্জন কৰা মানে হৈছে সকলো অংশৰে আনকি জাতিৰ আটাইতকৈ ক্ষুদ্ৰতম অংশকো জাতি-ধৰ্ম্ম-নিৰ্ব্বিশেষে স্বাধীন কৰা।

এই স্বাধীনতা কেতিয়াও বাহ্যিক নহয়। ই আভ্যন্তৰীণ আৰু বাহ্যিক পৰস্পৰ সম্বন্ধ জড়িত। বাস্তৱ সদায় কল্পনাতকৈ কম আনকি ইউক্লিডৰ জ্যামিতিৰ কল্পিত ৰেখাতকৈ অঙ্কিত ৰেখা চুটি। গতিকে পূৰ্ণস্বাধীনতাও সেই পৰিমাণে পূৰ্ণ হব যি পৰিমাণে আমি বাস্তৱিক সত্য আৰু অহিংসাৰ ওচৰ চাপিব পাৰো।

পাঠকে গঠন মূলক কামৰ কল্পনা ৰচনা কৰি উলিয়াওক তেতিয়া দেখিব তেওঁৰ মত মোৰ লগত মিলি যাব আৰু ইয়াৰ শেষটো হব আমাৰ কাম্য স্বাধীনতা।

মিঃ আমেৰিয়ে কোৱা নাইনে যে কোনো দুটা সংখ্যা গৰিষ্ঠ দলৰ মাজত চুক্তি হলে (অৰ্থাৎ মোৰ ভাষাত কবলৈ হলে, মোৰ গঠনমূলক পৰিকল্পনাৰ এটা নতুন অংশ স্বৰূপ সাম্প্ৰদায়িক চুক্তি হলে) তাক মানি লোৱা হব? তেওঁৰ সবলতাৰ বিষয়ে সন্দেহ কৰা আমাৰ প্ৰয়োজন নাই; কাৰণ যদি অহিংস আৰু সতুপায়ে লাভ কৰা মিলন হয় তেনেহলে ঐক্য-বদ্ধ দাবী মানি লোৱাৰ বাবে শক্তিও ইয়াৰ মাজতে সংগ্ৰহ হ'ব।

হিংসাৰে নহয়

আনহাতে হিংসাৰে লাভ কৰিব পৰা স্বাধীনতাৰ কোনো কাল্পনিক বা সম্পূৰ্ণ সংজ্ঞা নাই। কাৰণ ইয়াৰ মানে হৈছে জাতিৰ সেই অংশটোৰ উত্থান যিয়ে হিংসাৰ উৎকৃষ্ট ব্যৱহাৰ কৰিব পাৰে। ইয়াৰ পৰা অৰ্থ-নৈতিক বা অইন প্ৰকাৰৰ সমতা হোৱা কথা ভাবিবই নোৱাৰি।

কিন্তু মোৰ উদ্দেশ্য মতে অৰ্থাৎ অহিংস ভাবে গঠন-মূলক পৰিকল্পনা অনুযায়ী কাম কৰাৰ প্ৰয়োজনীয়তা সম্পৰ্কে পাঠক সকলক বুজাবলৈ হলে স্বাধীনতা অৰ্জ্জনৰ বাবে হিংস উপায় যে অসাৰ্থক তাৰ যুক্তিৰ দৰকাৰ নাই। পাঠকসকলে এইটো বিশ্বাস কৰা বাঞ্ছা কৰোঁ যে হিংসা ভাবেও অতি ক্ষুদ্ৰতম অংশৰো স্বাধীনতা সম্ভৱপৰ হব পাৰে—যদি সেই প্ৰচেষ্টাই শেহৰক এটেটাও মানি লোৱায় যে গোটেই জাতি-টোৱে গোটেয়া সেই কল্পনা সম্পূৰ্ণ ভাবে কাৰ্য্যকৰী কৰিব পাৰে, তেতিয়াহে সেই স্বাধীনতাৰ নিশ্চয়তা আছে।

এতিয়া আমি ইয়াৰ বিষয়বস্তুৰ পৰীক্ষা কৰি চাওঁ।

১। সাম্প্ৰদায়িক ঐক্য

এই ঐক্যৰ প্ৰয়োজনীয়তা সম্পৰ্কে সকলোৰে মত একে। কিন্তু সকলোৱে এই কথা নাজানে যে ৰাজনৈতিক ঐক্য যাক অনিচ্ছাতো জাপি দিব পাৰি ই তেনে ধৰণৰ নহয়। ইয়াৰ অৰ্থ হৈছে অবিচ্ছেদ্য আন্তৰিক মিলন। এই ঐক্য— লাভৰ বাবে দৰকাৰী প্ৰথম কথা হৈছে প্ৰত্যেক কংগ্ৰেছ সেৱকে তেওঁৰ ধৰ্ম্ম হিন্দু, মুছলমান, খৃষ্টিয়ান, জোৰোয়ে- ষ্ট্ৰিয়ান ইহুদি ইত্যাদিৰ যিয়েই নহওক অৰ্থাৎ সংক্ষেপতে তেওঁ হিন্দুৱেই হওক বা অহিন্দুৱেই হওক—তেওঁৰ প্ৰথম কৰ্ত্তব্য হব নিজ নিজ ব্যক্তিৰ প্ৰতিনিধিত্ব কৰা।

তেওঁ নিজকে হিন্দুস্থানৰ লাখ লাখ অধিবাসীৰ মাজৰ এজন বুলি ভাবিব লাগিব। ইয়াকে বুজিবলৈ হলে প্ৰত্যেক কংগ্ৰেছ কৰ্ম্মীয়ে নিজৰ ধৰ্ম্মৰ বাহিৰৰ অইন ধৰ্ম্মৰ মানুহৰ লগতো বন্ধুত্ব স্থাপন কৰিব লাগিব। তেওঁৰ নিজৰ ধৰ্ম্মৰ প্ৰতি যি শ্ৰদ্ধা, সেই শ্ৰদ্ধা অইন ধৰ্ম্ম প্ৰতিও থাকিব লাগিব।

এনেকুৱা সুখজনক অৱস্থা হলে ষ্টেচনবোৰত "হিন্দু পানী", "মুছলমান পানী", "হিন্দু চাহ", "মুছলমান চাহ" ইত্যাদি

কুৎাচৎ চীৎকাৰ নাথাকিব। তেতিয়া হলে স্কুল-কলেজ বোৰত হিন্দু আৰু অহিন্দুৰ বাবে বেলেগ কোঠা বা বেলেগ পাত্ৰৰ ব্যৱস্থা থাকিব নোৱাৰিলেহেঁতেন আৰু সাম্প্ৰদায়িক স্কুল-কলেজ, হাস্পতাল আদিও নাথাকিলহেঁতেন। এনে এটা আন্দোলনৰ সূচনা কংগ্ৰেছ কৰ্ম্মী সকলেই ইয়াৰ পিচত কোনো ৰাজনৈতিক উদ্দেশ্য নোহোৱাকৈয়ে কৰিব লাগে। ৰাজনৈতিক ঐক্য ইয়াৰেই স্বাভাবিক ফল হৈ উঠিব।

শাসন পৰিষদ

আমাৰ বহুতদিন ধৰি এইটো ভৰা অভ্যাস হৈ আহিছে যে আইন সভাৰ জৰিয়তেহে ক্ষমতা আহিব পাৰে। এই মতণৰ বিশ্বাসক মই ভুল বিশ্বাস আৰু এই বিশ্বাস অলসতা আৰু সম্মোহনৰ পৰা হোৱা বুলিহে ভাবো। বৃটিছ ইতিহাস ওপৰে ওপৰে পাঠ কৰা কাৰণে আমাৰ এইটো ভাব হয় যে পাৰ্লামেণ্টৰ জৰীয়তেহে জনসাধাৰণে ক্ষমতা লাভ কৰে। আচলতে কথা হৈছে এইটো যে ক্ষমতা জনসাধাৰণৰ হাততহে আছে আৰু এৰেই কমেকৰ বাবে তেওঁলোকে যাকে প্ৰতিনিধি বাছি দিয়ে তেওঁলোকৰ হাতত অৰ্পণ কৰে। জনসাধাৰণৰ অবিহনে পাৰ্লামেণ্টৰ কোনো ক্ষমতা নাইবা অস্তিত্বই নাই।

এই সত্যটোকে জনসাধাৰণক বুজাবলৈ মই যোৱা ২২ বছৰে চেষ্টা কৰি আহিছোঁ। আইন অমান্যতাই ক্ষমতাৰ ভৰাল। ব্যৱস্থা পৰিষদৰ আইন অনুসৰি চলিবলৈ অনিচ্ছুক আৰু তাৰ পৰিণাম ভোগ কৰিবলৈ প্ৰস্তুত সমগ্ৰ জনসাধাৰণৰ কথা ভাবক। তেওঁলোকে গোটেই শাসনতন্ত্ৰকে অচল কৰি পেলাব। পুলিচ আৰু মিলিটেৰীয়ে সংখ্যালঘিষ্ঠৰ ওপৰত অতি ক্ষমতাশালী হলেও অত্যাচাৰ কৰিব পাৰে। কিন্তু যি জনসাধাৰণে আটাইতকৈ বেছি কষ্ট ভোগ কৰিবলৈ সাজু হৈ আছে সেই জন সাধাৰণৰ অটল ইচ্ছা কোনো পুলিচ নাইবা মিলিটেৰীয়ে দমাব নোৱাৰে।

পাৰ্লামেণ্টৰী প্ৰণালী ভাল হয়—যেতিয়া তাৰ সভ্য সকলে অধিক সংখ্যকৰ মতানুযায়ী কাম কৰিবলৈ ইচ্ছুক হয়। আইন কথাত কৰবলৈ হলে—ই উত্তম ৰকমে কাৰ্য্যকৰী হয় কেৱল সহযোগিতাৰ মাজেদি।

আমাৰ ইয়াত ভাৰতত পাৰ্লামেণ্টৰী প্ৰণালীমতে কাম কৰিবলৈ ওলাইছো, পৃথক নিৰ্ব্বাচনৰ ভিত্তিত—যাৰ ফলত কৃত্ৰিম অসহযোগ সৃষ্টি হৈছে। সাধাৰণ পটভূমিত এই ধৰণৰ কৃত্ৰিম অস্তিত্বৰ মাজত প্ৰাণযুক্ত ঐক্য কেতিয়াও হব নোৱাৰে। এনেধৰণে অৱশ্যে শাসন পৰিষদ চলিব পাৰে।

কিন্তু সি শাসকৰ হাতৰ পৰা খহি পৰা ক্ষমতাৰ অংশ গ্ৰহণ কৰাৰ আৰু তাৰ বাবে যুঁজ বাগৰ কৰাৰহে ঠাই হব পাৰে। তেওঁলোকে শাসনৰ লৌহ দণ্ড হাতত লৈহে বিপক্ষ-দলে ইজনে সিজনৰ গলধনত ধৰাৰ প্ৰতিকাৰ কৰিব পৰা যায়। এনে লজ্জাজনক অৱস্থাৰ পৰা সম্পূৰ্ণ স্বাধীনতা সোনকালে হোৱাটো অসম্ভৱ বুলি ভাবো।

যদিও মই এনেকুৱা দৃঢ় বিশ্বাস পোষণ কৰো তথাপি মই এই সিদ্ধান্তত উপনীত হৈছো যে যেতিয়ালৈকে নিৰ্ব্বাচন সভালৈ অকামা ব্যক্তি গৈ থাকিব, কংগ্ৰেছে তেতিয়ালৈকে এই ধৰণৰ সভালৈ যাতে প্ৰতিকূলে আচৰণ কৰা লোক যাব নোৱাৰে, তেনেধৰণৰ প্ৰাৰ্থী দিব লাগে।

—•—

২। অস্পৃশ্যতা বৰ্জ্জন

আজিৰ দিনত হিন্দুধৰ্ম্মৰ কলঙ্ক আৰু অভিশম্পাত স্বৰূপ অস্পৃশ্যতা দূৰীকৰণৰ দৰ্কাৰ সম্পৰ্কে আলোচনা কৰা নিষ্প্ৰয়োজন। কংগ্ৰেছ কৰ্ম্মীসকলে এই বিষয়ে বহুখিনি কৰিছে। কিন্তু মই জানিব পাৰি দুখেৰে কবলগীয়াত পৰিছোঁ যে বহুত কংগ্ৰেছ কৰ্ম্মীয়ে এইটো এটা ৰাজনৈতিক প্ৰয়োজন বুলিহে ভাবে—হিন্দুবিলাকৰ পক্ষে হিন্দুধৰ্ম্ম ৰক্ষাৰ বাবে যে ই অপৰিহাৰ্য্য তাক নাভাবে। যদি হিন্দু কংগ্ৰেছ কৰ্ম্মী-সকলে নিজৰ বাবেই এই কাম হাতত লয় তেনেহলে তেওঁ-"সনাতনী" সকলক এতিয়াতৈকে যিমান প্ৰভাবান্বিত কৰিব পাৰিছে তাতকৈ বেছিকৈ পাৰিব। তেওঁলোকে সাময়িক মতিগতি লৈ তেওঁবিলাকৰ ওচৰ চাপিব নালাগিব, তেওঁ-লোকে যাব লাগিব অহিংসাৰ লগত ৰজিতা খোৱা বন্ধু ভাব লৈ। হৰিজনসকলৰ পক্ষে সিহঁতৰ এই দুঃখজনক অসহায় অৱস্থা আৰু ভাৰতত যি ভীতি প্ৰদৰ্শক পৰিস্থিতিৰ সৃষ্টি হৈছে তাৰ তুলনা বোধহয় পৃথিবীৰ কতো দেখা নাযায়। এনে-হেন অৱস্থাত প্ৰত্যেক হিন্দুৰেই সিবিলাকৰ লগত বন্ধুত্ব স্থাপন কৰাটো সাধাৰণ কৰ্ত্তব্য হোৱা উচিত। মোৰ অভি-জ্ঞতা হৈছে যে ই কিমান টান কাম। কিন্তু এই কাম স্বৰাজৰ প্ৰাসাদ নিৰ্ম্মানৰ অংশ স্বৰূপ। স্বৰাজৰ পথ বৰ সঙ্কীৰ্ণ

আৰু ওখ। ই বৰ পিচল আৰু ইয়াত বহুতো উঠা নমা আৰু দ খাল আছে। এই সকলোবোৰ নিপিচলাকৈয়ে অতিক্ৰম কৰি গলেহে আমি আচল ঠিং পামগৈ আৰু স্বাধীনতাৰ মুকলি বতাহ সেৱন কৰিব পাৰিম।

— ০ —

৩। মাদকতা বৰ্জ্জন

যদিও ১৯২০ চনৰ পৰাই সাম্প্ৰদায়িক ঐক্য আৰু অস্পৃশ্যতা বৰ্জ্জন, কংগ্ৰেছৰ আঁচনি ভুক্ত আছিল কংগ্ৰেছ-কৰ্ম্মী সকলে কিন্তু এই প্ৰধান সামাজিক আৰু নৈতিক সংস্কাৰ হাতত লোৱা নাছিল, যদিও লোৱাটো উচিত আছিল। যদি আমি লক্ষ্য স্থলত উপনীত হব খোজোঁ তেনেহলে আমি মাদকতাৰ বাগীত পৰি থকা লাখ লাখ লোকৰ ভাগ্য ভবিষ্যৎ গৱৰ্ণমেণ্টৰ হাতত এৰি দিব নোৱাৰোঁ।

চিকিৎসক সকলে এই কু অভ্যাস গুচাবলৈ যথেষ্ট চেষ্টা কৰিব পাৰে।

ভদ্ৰলোকেই মদপী আৰু কানীয়াৰ সংখ্যা কমাই অনাৰ উপায় স্থিৰ কৰিব লাগে।

তিৰোতা আৰু ছাত্ৰই এই সংস্কাৰ কৰাত বিশেষ সুবিধা পায়। প্ৰীতি প্ৰদৰ্শন কৰা শুশ্ৰূষাৰ তেওঁলোকৰ এই কু-অভ্যাস এৰিবলৈ শিক্ষা উপদেশ মানিবলৈ ভদ্ৰ-লোকক বাধ্য কৰিব পাৰে।

কংগ্ৰেছ কমিটিবোৰে ভাগৰুৱা বনুৱাসকলৰ বাবে জিৰণি ঘৰ কৰি দিব পাৰে য'ত সিহঁতে ভাগৰুৱা দেহক জিৰণি দি, স্বাস্থ্য লাভ কৰিব পাৰে, সহজে চা-জলপান পায় আৰু

উপযুক্ত খেলা, ধূলাৰ সুবিধা পায়। এই সকলোবোৰ কাম আনন্দদায়ক আৰু উন্নতিমূলক। স্বৰাজ লাভৰ অহিংস পথ এটা নব্যধৰণৰ পথ। ইয়াত পুৰণিয়ে নতুনক ঠাই দিয়ে। হিংসাৰ পথত আমি এনে কোনো সংস্কাৰৰ ঠাই নেদেখোঁ। সেই পথত বিশ্বাস থকাটো তেওঁলোকৰ ধৈৰ্য্যহীনতা নহয়, মই কওঁ অজ্ঞতাৰ হেতু এইবোৰ কাম মুক্তিৰ দিনলৈ পোলাই থৈ দিব খোজা। তেওঁলোকে পাহৰি যায় যে স্থায়ী শুদ্ধ স্বাধীনতা ভিতৰৰ পৰা উদ্ভৱ হয় - আত্ম শুদ্ধিৰ পৰা। গঠনমূলক কৰ্ম্মীসকলে আইন সম্বন্ধ লঙ্ঘন সহজ আৰু কৃতকাৰ্য্য কৰিব পাৰে—যদিও তেওঁলোকে ইয়াৰ বাবে বাট মুকলি কৰি নাৰাখে।

—০—

৪। খাদি

খাদিৰ কথাটোত এতিয়াও মতানৈক্য আছে। বহুতে ভাবে যে খাদি কথাটো লৈ মই প্ৰবল ধুমুহাৰ বিপৰীতে যাত্ৰা কৰিছোঁ আৰু সেই বাবেই স্বৰাজৰ এই টুলুঙা নাওখন বাটতে বুৰি যোৱাটোও সুনিশ্চিত; আৰু ভাবে যে মই দেশখনক আন্ধাৰ যুগলৈ নিব ধৰিছোঁ। মই এই সংক্ষিপ্ত পৰ্য্যালোচনাৰ সময়ত, খাদিৰ কথালৈ যুক্তি দিব নোখোজোঁ। মই এই বিষয়ে অইন ঠাইত যথেষ্ট যুক্তি দৰ্শাইছোঁ। ইয়াত মই কেৱল দেখুৱাব খুজিছোঁ প্ৰত্যেক কংগ্ৰেছকৰ্ম্মীয়ে তথা প্ৰত্যেক ভাৰতীয়ই খাদিৰ কাৰণে কি কৰিব পাৰে। ই অৰ্থনৈতিক স্বাধীনতাৰ আৰম্ভণিৰ কথা বুজায় আৰু দেশৰ সকলোৰে সমানাধিকাৰৰ কথা বুজায়

'খালেহে চেনিৰ সোৱাদ বুজা যায়।'

প্ৰত্যেকে চেষ্টা কৰক, তেতিয়া হলে পুৰুষ-স্ত্ৰী সকলোৱে মই কোৱা কথাৰ সত্য উপলব্ধি কৰিব পাৰিব। খাদি কওঁতে ইয়াৰ লগত জড়িত সকলোখিনি কথা মানি লব লাগিব। ইয়াৰ অৰ্থ হৈছে মনে প্ৰাণে সম্পূৰ্ণ স্বদেশী হোৱা, ভাৰতবৰ্ষতে নিজৰ দৰকাৰী সকলো বস্তু বিচাৰি লোৱাৰ আৰু তাকো গাওঁলীয়া লোকৰ বুদ্ধি আৰু পৰিশ্ৰমৰ দ্বাৰা লোৱাৰ দৃঢ় সঙ্কল্প।

ইয়াৰ মানে হৈছে বৰ্ত্তমান চলিত ৰীতিৰ সম্পূৰ্ণ পৰিবৰ্ত্তন। অৰ্থাৎ যি স্থলত ভাৰতৰ যি ছুয়খন মহানগৰী আৰু বৃটিছ দ্বীপপুঞ্জই ৭০০,০০০ (লাখ) গাওঁৰ শোষিত সম্পাদৰ ওপৰত চলি আছে সেই স্থলত গাওঁবোৰ যথেষ্ট পৰিমানে স্বাৱলম্বী হৈ স্বেচ্ছাই ভাৰতৰ মহানগৰী আৰু বহিৰ্জগতকো এনেভাবে সহায় কৰিব যাতে উভয় পক্ষৰে মঙ্গল হয়।

ইয়াৰ উপৰিও খাদি মনোভাবৰ অৰ্থ হৈছে দৈনন্দিন ব্যৱহাৰ্য্য বস্তুৰ উৎপন্ন আৰু বিতৰণৰ কেন্দ্ৰীভাব গুচোৱা। গতিকে এই পৰ্য্যন্ত উদ্ভব হোৱা নীতি হৈছে এই যে প্ৰত্যেক গাৱেঁ নিজৰ দৰকাৰী বস্তু উৎপাদন কৰা আৰু তাৰ উপৰিও নগৰৰ ব্যৱহাৰৰ বাবে কিছু পৰিমাণে বেচিকৈ উৎপন্ন কৰা।

—০—

ডাঙৰ ডাঙৰ শিল্প কাৰখানা

ডাঙৰ ডাঙৰ শিল্প কাৰখানাবোৰ অৱশ্যে কেন্দ্ৰীভূত আৰু জাতীয় অনুষ্ঠান কৰিবই লাগিব। কিন্তু সেইবোৰে গাঁৱত হোৱা এই বিৰাট জাতীয় আন্দোলনৰ সামান্য অংশ স্বৰূপহে হব।

খাদিৰ লগত জড়িত থকা কথা বোৰ ব্যাখ্যা কৰাৰ পিচত, ইয়াৰ উন্নতিৰ বাবে কংগ্ৰেছ কৰ্ম্মীসকলে কি কৰিব পাৰে আৰু কৰা উচিত সেই বিষয়ে কৰই লাগিব।

খাদি উৎপন্ন কৰা মানে কপাহ খেতি কৰা কপাহ তোলা, নেওঠা, পৰিষ্কাৰ কৰা, ধুনা, পাজি পকোৱা, সূতাকটা, সূতা বন্ধা বোলোৱা কাপোৰৰ বাবে দীঘ আৰু বানী তৈয়াৰ কৰা, কাপোৰ বোৱা আৰু ধোৱা এই সকলোবোৰ। ৰং কৰাও বাহিৰে এই সকলোবোৰেই দৰ্কাৰী কাম। ইয়াৰ প্ৰত্যেকটোকে গাঁৱত ভালৰকমে কৰিব পাৰি আৰু ভাৰতবৰ্ষত বহুতো গাঁৱত এইবোৰ নিখিল ভাৰত কাটনি সঙ্ঘৰ জড়িয়তে চলোৱা হৈছে। আটাইতকৈ শেষৰ ৰিপোৰ্টমতে তলত দিয়া চকুত লগা সংখ্যাবোৰ পোৱা গৈছে।

১৯৪০ চনত মুঠ ১৩,৪৫১ খন গাঁৱৰ ২৭৫১৪৬ জন গাঁৱলীয়া লোকৰ ভিতৰত ১৯৬৪৫ জন হৰিজন আৰু ৫৭,৩৭৮ জন

মুছলমান লোকে বোৱা কটাৰ বাবে ৩,৪৮৫,৬০৯ টকা পাইছে। ইয়াৰ ভিতৰত বেছি ভাগেই তিৰোতা মানুহ।

তথাপি এই ঘিথিনি কাম হৈছে ই, কংগ্ৰেছ কৰ্ম্মীসকলে সাধুভাৱে খাদি আন্দোলন লগে যিমান কাম হলহেতেন তাৰ এশ ভাগৰ এভাগহে মাথোন হব। গাৱঁৰ এই কেন্দ্ৰীয় শিল্পৰ আৰু ইয়াৰ লগৰীয়া হাতৰ বিদ্যাবোৰৰ শোচনীয় ধ্বংসৰ লগে লগে গাৱঁবোৰৰ পৰা বুদ্ধি আৰু উজ্জ্বলতা নোহোৱা হৈছে আৰু ফলত নিকজ্জ্বল আৰু কৰ্ম্মহীন হৈ অনাদৃত পালিত গো-মহিষৰ অৱস্থা প্ৰাপ্ত হৈছে।

যদি কংগ্ৰেছ কৰ্ম্মীসকলে সঁচাকৈয়ে তেওঁলোকৰ কংগ্ৰেছৰ আহ্বান শুনে তেনেহলে তেওঁলোকে এবিধ পৰা কামৰ বাবে নিখিল ভাৰত বোৱা-কটা সম্মিলনৰ পৰা সময়ে সময়ে যি নিৰ্দ্দেশ দিয়া হয় তাক মানি চলিব লাগিব। ইয়াত মাথো এইটা মানহে প্ৰধান প্ৰধান নিয়ম দিয়া হব।

নিৰ্দ্দেশ

প্ৰত্যেক পৰিয়ালে নিজৰ কাৰণে এডোখৰ মাটিত কপাহৰ খেতি কৰিব পাৰে। কপাহৰ খেতি কৰা প্ৰণালীও সহজ। বিহাৰত আইন কৰি প্ৰত্যেক খেতিয়কেই নিজৰ মাটিৰ ২০ ভাগৰ ৩ ভাগত নীল উৎপন্ন কৰিবলৈ বাধ্য কৰিছিল।

ইয়াকো কৰা হৈছিল বিদেশী নীল খেতিয়কৰ স্বাৰ্থৰ বাবে। আমি কিয় নিজৰ মাটিৰ কিছু অংশত জাতিৰ হকে স্বেচ্ছাই খেতি কৰিব নোৱাৰিম? শিল্প ব্যৱসায়ৰ কেন্দ্ৰীভাব খাদি প্ৰথাৰ আৰম্ভৰ লগে লগে আঁতৰ হব। আজিৰ দিনত কপাহ খেতি কেন্দ্ৰীভূত আৰু ইয়াক ভাৰতৰ বহুত দূৰ ঠাইলৈ পঠিয়াব লাগে। যুদ্ধৰ আগত প্ৰধানতঃ বৃটেইন আৰু জাপানলৈ পঠোৱা হৈছিল। আগতে ই অৰ্থকৰী খেতি আছিল আৰু এতিয়াও আছে আৰু সেই কাৰণেই বজাৰৰ লগত ইয়াৰ দামৰ তাৰতম্য হয়। খাদি পৰিকল্পনাৰ দ্বাৰা কপাহ খেতিৰ এই অনিশ্চয়তা দূৰ হব আৰু ই জুৱা-খেলৰ নিচিনা হৈ নাথাকিব। ইয়াৰ খেতিয়কে যিমান খিনি দৰ্কাৰ সিমানখিনিকে উৎপন্ন কৰিব। উৎপাদনকাৰীয়ে প্ৰথমে জনা দৰ্কাৰ যে তেওঁৰ প্ৰথম কাম হৈছে তেওঁৰ নিজৰ দৰ্কাৰ খিনিহে উৎপন্ন কৰিব লাগে। তাকে কৰিলে বজাৰভাও কমি সৰ্ব্বনাশ হোৱাৰ ভয় নাথাকিব। প্ৰত্যেক জন সূতা-কটা মানুহে নেওঠিবৰ বাবে যথেষ্ট নিজৰ কপাহ নাথাকিলে কিনি আনিবও পাৰে আৰু নেওঠনী নোপোৱাকৈও নেও-ঠিব পাৰে। নিজৰ দৰ্কাৰী কপাহ খিনি এদাল লোৰ মাৰিৰেও নেওঠি লব পাৰে। যত সেইটোও সম্ভৱপৰ নহয় তাত নেওঠা কপাহ আনি ধুনি লোৱা উচিত। নিজে কপাহ ধুনা কামটো এখন সৰু ধনুৰ সহায়েৰেই অনায়াসে

কৰিব পাৰি। পৰিশ্ৰমৰ কেন্দ্ৰীভাব যিমানেই গুচুৱা যায় সিমানেই সৰঞ্জামবোৰ সহজ আৰু সস্তীয়া হয়। ইয়াৰ পাচত পাঁজি কৰা হলেই সূতা কটা আৰম্ভ কৰিব পাৰি। (সূতা কটাত) মই ধনুষ টাকলিৰ প্ৰথা সমৰ্থন কৰোঁ। মই ইয়াক সঘনে ব্যৱহাৰ কৰোঁ। যঁতৰত যিমান খৰকৈ কাটিব পাৰোঁ ইয়াতো মই সিমানেই খৰকৈ পাৰোঁ। ইয়াৰে মই সুন্দৰ সূতা কাটোঁ আৰু ইয়াৰ দ্বাৰা কটা সূতা যঁতৰত কটা সূতাতকৈ টান আৰু নিমজ হয়। অৱশ্যে সকলোৱে সেই ৰকমে নোৱাৰিব পাৰে। মই ধনুষ টাকলিৰ ওপৰত বেছি জোৰ দিয়াৰ কাৰণ হৈছে এই যে ইয়াক সহজে কৰিব পৰা যায় আৰু যঁতৰতকৈ সস্তা আৰু যঁতৰৰ দৰে ঘনে ঘনে মেৰামত কৰিব নালাগে। যঁতৰৰ মাল চুড়াল লগাব নাজানিলে আৰু হঠাৎ পৰি গলে খুৱাই লব নোৱাৰিলে ইয়াত কোনো কামেই কৰিব নোৱাৰি আৰু বহুত সময়ত ইয়াক পেলাই থবলগীয়াত পৰে।

ইয়াৰ উপৰিও যদি লাখ লাখ মানুহে সূতা কটাত লাগি যায় আৰু সেইটো কৰা উচিতো, তেনেহলে এই ধনুষ টকালিয়ে যিহেতু ই সহজে কৰি লব পৰা বস্তু, সস্তীয়া আৰু ইয়াক ঘনাই মেৰামত কৰিব নালাগে, সেইহেতু আমাৰ কাম চলাব পাৰে। ইয়াক টাকলিতকৈও সহজে কৰিব পাৰি। আটাইতকৈ ভাল, সহজ আৰু কম খৰচতে হোৱা উপাই হৈছে ইয়াক নিজেই কৰি লোৱা। অৱশ্যে ইয়াক তৈয়াৰ কৰিবলৈ আৰু

ব্যৱহাৰ কৰিবলৈ জানিব লাগিব। ভাবি চাওক গোটেই জাতিটোৰে ঐক্য আৰু গঠনমূলক সকলোবোৰ ব্যৱস্থায়ে সূতা কটাৰ ফালে ঢাল খাইছে। ভাবি চাওক শ্ৰমৰ নিবন্ধন —ইয়াৰ ধনী দুখীয়া সকলোকে সমান কৰিব পৰা ক্ষমতা আছে।

সূতাৰ ব্যৱহাৰ

এই ধৰণে উৎপন্ন কৰা সূতাক তিনি প্ৰকাৰে ব্যৱহাৰ কৰিব পাৰি।

—দুখীয়াৰ বাবে দিবলৈ নিখিল ভাৰত যোৱা-টকা সম্মিলনক উপহাৰ দি নিজৰ ব্যৱহাৰৰ বাবে কাপোৰ বৈ অথবা ইয়াৰে যিমান পৰা যায় খাদি কিনি। এই কথা ঠিক যে সূতা যিমানেই সুন্দৰ আৰু ভাল হব সিমানেই ইয়াৰ মূল্য বেছি হব। যদি কংগ্ৰেছ কৰ্ম্মীসকলে এই কামত মনোযোগ দি লাগে তেনেহলে শুওলোকে ইয়াৰ সাজ সৰঞ্জামবো উন্নতি কৰিব পাৰিব আৰু নতুন নতুন আবিষ্কাৰ কৰিব পাৰিব। আমাৰ দেশত বুদ্ধি আৰু শ্ৰমৰ এৰা-এৰি হৈছে। তাৰ ফলতেই প্ৰগতি বন্ধ হৈছে। যদি এই দুয়োটাৰে মিলন ইয়াত কোৱাদৰে অবিছিন্ন হয়, তেনেহলে তাৰ অপৰিমিত ফল ধৰিব।

দেশ জুৰি চলোৱা এই সূতাকটা আন্দোলনৰ বাবে সাধাৰণ পুৰুষ বা তিৰোতা এজনীয়ে দৈনিক এঘণ্টাতকৈ বেছি সময় ক্ষতি কৰাৰ আশা মই নকৰোঁ।

৫। অইন গাৱঁলীয়া শিল্প

এই বোৰ হৈছে খাদিতকৈ অলপ বেলেগ। সিবোৰত স্বেচ্ছাই খাটিবৰ সিমান সুযোগ নাই। ইয়াৰ প্ৰত্যেক বিধৰ বাবে অলপ কেইজনমান মানুহৰ পৰিশ্ৰমৰহে দৰকাৰ আৰু এই শিল্পবোৰ খাদিৰ সহচৰ হিচাবে আহি পৰে। খাদি অবিহনে সিবোৰৰ অস্তিত্ব নাথাকে আৰু থাকিলেও খাদিৰ মৰ্য্যাদা নোহোৱা হয়। গাৱঁলীয়া অৰ্থনীতিৰ সমাধান নহয় যদি দৰকাৰী গাৱঁলীয়া শিল্প যেনে গুৰি খুন্দা, গৰু ম'হ পোহা, চাবোন, কাকত, দিয়াচলাই আদি কৰা তেলপেৰা ইত্যাদি নাথাকে।

কংগ্ৰেছ কৰ্ম্মীসকলে এইবোৰ কামত লাগি যাব পাৰে আৰু যদি তেওঁলোক গাৱঁলীয়া হয় নাইবা গাৱঁত বাস কৰে তেনেহলে তেওঁলোক এইবোৰ শিল্পক নতুন জীৱন দি নতুন সাজেৰে উলিয়াব পাৰে। সকলোৰে এইটো উদ্দেশ্য হোৱা উচিত যে যেতিয়াই যি পৰিমাণে পোৱা যায় সেই পৰিমাণে গাৱঁলীয়া বস্তুহে ব্যৱহাৰ কৰিম। এনেকুৱা আৱশ্যকৰ উত্তৰ হলে গাৱঁৰ পৰাই আমাৰ অভাৱ বহুতো পৰিমাণে পূৰণ হব ইয়াত সন্দেহ নাই। যেতিয়া আমাৰ মন গাৱঁৰ ফালে ঢাল

খাব তেতিয়া আৰু আমাৰ পাশ্চাত্য ধৰণ অনুসৰণ কৰাৰ নাইবা যন্ত্ৰৰ উৎপাদনৰ দৰ্কাৰ নহব আৰু তাৰ পৰিবৰ্ত্তে আমাৰ মাজত এটা আচল জাতীয় ভাবৰ সঞ্চাৰ হব আৰু দাৰিদ্ৰ, অনাহাৰ আৰু অলসতা বিহীন নতুন ভাৰতৰ সপোন উজ্জ্বল হৈ উঠিব।

গাৱঁলীয়া স্বাস্থ্য ৰক্ষাৰ ব্যৱস্থা

শ্ৰম আৰু বুদ্ধিৰ বিচ্ছেদৰ ফলতেই গাওঁবোৰৰ প্ৰতি অন্যায় কৰা হৈছে। সেইবাবে শাৰী পতা ধুনীয়া ধুনীয়া ঘৰৰ পৰিবৰ্ত্তে দেখা যায় গোবৰৰ দ'ম, বহুত গাৱঁৰ ওচৰত যাব নোৱাৰি। চাৰিওফালে ইমান মলি আৰু দুৰ্গন্ধ ওলায় যে তাত গলে চকু মুদি নাকত সোপা দিহে যাব লাগে। যদি আমাৰ কংগ্ৰেছ কৰ্ম্মীসকলৰ বেছি ভাগেই গাৱঁৰ পৰা লোকা হয় আৰু সেইটো কৰা উচিতো, তেনেহলে তেওঁলোকে আমাৰ গাওঁ বোৰক পৰিষ্কাৰ পৰিচন্নতাত আদৰ্শ স্থানীয় কৰি তুলিব পাৰিব লাগিব। কিন্তু তেওঁলোকে কেতিয়াও দৈনন্দিক জীৱন যাপন কৰাত কেতিয়াও গাৱঁলীয়া লোকৰ লগত মিলি থোৱাতো তেওঁলোকৰ কৰ্ত্তব্য বুলি ভবা নাই। জাতীয় নাইবা সামাজিক পৰিচ্ছন্নতাৰ জ্ঞান থকাতো আমাৰ ধৰ্ম্ম নহয়।

আমি গা ধোওঁ; কিন্তু যি পুখুৰী, নাদ নাইবা নদীৰ পাৰত পূজা পাৰ্ব্বণাদি কৰোঁ তাক লেতেৰা কৰাৰ কথা নাভাবোঁয়েই। এই দোষটোক মই মহাপাতক বুলি ভাবোঁ; কাৰণ আমাৰ গাওঁবোৰৰ আৰু পবিত্ৰ নদীবোৰৰ পবিত্ৰ পাৰৰ শোচনীয় অৱস্থাৰ বাবে হয়েই পায়ো আৰু ইয়াৰ পৰাই অপৰিচ্ছন্নতাৰ বাবে বেমাৰৰ উদ্ভৱ হয়।

—

৬। নতুন অথবা মূল শিক্ষা

ই এটা নতুন বিষয়। তথাপি ৱাৰ্কিং কমিটিৰ মেম্বাৰ সকলে ইমান ভাল পাইছে যে তেওঁলোকে হৰিপুৰ কংগ্ৰেছৰ সময়ৰ পৰা চলিঅহা হিন্দুস্থানী তালিমী সঙ্ঘৰ কৰ্ম্মীসকলক এখনি চনদ দিছে। ই বহুতো কংগ্ৰেছ কৰ্ম্মীৰে সুহৃৎ কৰ্ম্মক্ষেত্ৰ। এই শিক্ষাৰ অৰ্থ হৈছে গাঁৱৰ লৰা ছোৱালী বোৰক আদৰ্শ গ্ৰাম লোক গঢ়ি তোলা। ইয়াক প্ৰধানকৈ সেই ধৰণে ৰচনা কৰা হৈছে আৰু ইয়াৰ বাবে প্ৰেৰণা লোৱা হৈছে গাঁৱৰ পৰাই।

যি সকল কংগ্ৰেছ কৰ্ম্মীয়ে স্বৰাজ আৰম্ভণীৰে পৰা গঢ়ি আনিব খোজে; তেওঁলোকে লৰাছোৱালীবোৰক অৱজ্ঞা কৰিব নোৱাৰে। বিদেশী শাসন অজ্ঞাতসাৰে আৰু নিশ্চিত ভাবে লৰা-ছোৱালীৰ শিক্ষাৰ মাজতো সোমাইছে আৰু প্ৰাথমিক শিক্ষাটো এটা ভুৱা হৈ পৰিছে আৰু ভাৰতৰ গাঁও তথা নগৰ বোৰৰ অভাবৰ পিনে আওকান কৰা হৈছে।

কিন্তু মূল শিক্ষা ভাৰতৰ বাবে যি আটাইতকৈ মঙ্গলজনক আৰু স্থায়ী ভাৱ লগত কি গাওঁ কি নগৰ সকলোৰে লৰা-ছোৱালী সংযোজিত কাৰব পাৰে ই শৰীৰ আৰু মন দুয়োৰে উৎকৰ্ষ সাধন কৰে আৰু দেশৰ লগত সন্তানক এনেভাৱে জড়িত ৰাখে যে উজ্জ্বল ভৱিষ্যতৰ কথা ভাবি স্কুলীয়া জীৱন আৰম্ভ

ছোৱাৰ লগে লগে সিবিলাকে তাক লাভ কৰাৰ বাবে নিজৰ কৰ্ত্তব্যৰ অংশ গ্ৰহণ কৰে। কংগ্ৰেছ কৰ্ম্মী সকলেও ইয়াত যিবিলাক লৰা-ছোৱালীৰ সংসৰ্গত আছে সিবিলাকৰ লগত সমানে ৰং পাব। যিবিলাকে ইচ্ছা কৰে সিবিলাকে সেৱা-গ্ৰামৰ উক্ত সভাৰ সম্পাদকৰ লগত এই বিষয়ে সংযোগ স্থাপন কৰিব পাৰে।

— —

৭। বয়স্ক লোকৰ শিক্ষা

কংগ্ৰেছকৰ্ম্মী সকলে ইয়াক বৰ বেয়াকৈ অবজ্ঞা কৰিছে। যি ঠাইত এই অবজ্ঞা কৰা হোৱা নাই সেই ঠাইতো তেওঁ-লোকে অশিক্ষিত সকলক কেবল মাত্ৰ লিখিবলৈ আৰু পঢ়িবলৈহে শিকাইছে। যদি মোৰ হাতত বয়স্ক লোকৰ শিক্ষাৰ ভাৰ থাকিলহেঁতেন তেনেহলে মই মোৰ বয়স্ক ছাত্ৰ সকলৰ মন তেওঁলোকৰ বিশাল দেশৰ প্ৰতি ঢাল খুৱাই দিলোহেঁতেন। গাৱঁলীয়া লোকৰ কাৰণে নিজৰ গাৱঁতেই ভাৰতবৰ্ষখন আছে। যেতিয়া এখন গাৱঁৰ লোক আন এখন গাৱঁলৈ যায় তেনেহলে তেওঁ নিজৰ গাওখনকেই ঘৰ বুলি কয় আৰু হিন্দুস্থানটো এটা ভৌগোলিক নাম বুলিহে ভাবে।

গাওঁবোৰত চলিত থকা অজ্ঞতাৰ বিষয়ে আমাৰ লক্ষ্য নাই। গাৱঁৰ লোকে বিদেশী শাসনৰ আৰু তাৰ কুফলৰ বিষয়ে একো নাজানে। যি অলপ জ্ঞান আছে সিও বিদেশী বিলাকে দেখুৱা ভয়ৰ লগত মিশ্ৰিত হৈ আছে। ফলত দেখা দিছে বিদেশী শাসনৰ প্ৰতি ভয় আৰু ঘৃণা। তেওঁলোকে নাজানে যে বিদেশী শাসনৰ মূল হৈছে তেওঁলোকৰ দুৰ্ব্বলতা,

আৰু এই শাসন উচ্ছেদ কৰিব পৰা তেওঁলোকৰ মাজত থকা ক্ষমতাৰ বিষয় অজ্ঞতা। গতিকেই মোৰ বাল্য শিক্ষাৰ অৰ্থ হৈছে প্ৰথমতে বয়স্ক লোক সকলক মুখৰ কথাৰে ৰাজনীতি শিক্ষা দিয়া। এনেকুৱা আঁচনি কৰি ললে কোনো ভয় নোহোৱাকৈয়ে কৰিব পৰা যায়। মই ভাবোঁ এনেকুৱা শিক্ষাত কৰ্তৃপক্ষই বাধা দিয়াৰ সময় অতীত হৈ গৈছে। তথাপি যদি কোনো বাধা আহি পৰে তেনেহলে তাৰ বিৰুদ্ধে থিয় দিব লাগিব, কাৰণ এইখিনি প্ৰাথমিক সত্ব নহলে স্বৰাজ লাভ হব নোৱাৰে।

অৱশেষে মই যি লিখিছোঁ তাত উদাৰতা ৰক্ষা কৰিছোঁ। অহিংসাত ভয়ৰ স্থান নাই, গতিকে গোপন কৰাৰো দৰকাৰ নাই। এই মৌলিক শিক্ষাৰ লগে লগে সাহিত্য শিক্ষাও দিয়া হব। এইটোৱেই ইয়াৰ বিশেষত্ব। শিক্ষাৰ কাল কমোৱাৰ বাবে বহুতো উপায় উলিয়াই চোৱা হব ধৰিছে। ৱাৰ্কিং কমিটিয়ে অস্থায়ী-য়েই হওক বা স্থায়ীয়েই হওক বিশেষজ্ঞ সকলৰ এটা বোৰ্ড গঠন কৰি ইয়াত অভ্যাস দিয়া মনোভাবটোৰ এটা ৰূপ দিয়াবলৈ আৰু কৰ্ম্মী সকলক সহায় কৰিবলৈ লোৱা উচিত। মই এইটো স্বীকাৰ কৰোঁ যে এই পৰিচ্ছেদত মই যি কৈছোঁ সি কেৱল বাটটোহে দেখুৱাইছে; কিন্তু সাধাৰণ কংগ্ৰেছকৰ্ম্মী সকলে এই বিষয়ে কেনেকৈ কাম কৰিব লাগে তাক দেখুৱা নাই। নাইবা প্ৰত্যেক কংগ্ৰেছ কৰ্ম্মীকে এই বিশেষ উজ্জ

কামটোৰ বাবে উপযুক্ত কৰি তোলা নাই। কিন্তু কংগ্ৰেছ-কৰ্ম্মীৰ মাজত যিসকল শিক্ষক তেওঁলোকে ইয়াত দিয়া নিৰ্দ্দেশ অনুযায়ী পাঠ্য তালিকা কৰি লোৱাত কোনো অসুবিধা নাপাব।

৮। নাৰী

এই আচৰিত মই তিৰোতাবিলাকৰ কামো ধৰি লৈছো কাৰণ যদিও সত্যাগ্ৰহে ভাৰতৰ তিৰোতাক অন্ধকাৰৰ পৰা উলিয়াই আনিছে আৰু যদিও ইমান কম সময়ৰ ভিতৰত অইন একোৱেই এই কাম কৰিব নোৱাৰিলেহেঁতেন তথাপি কংগ্ৰেছ কৰ্ম্মীসকলে এইটো উপলব্ধি কৰিব পৰা নাই যে তিৰোতাবিলাকেও স্বাধীনতাৰ যুদ্ধত সমানে অংশ গ্ৰহণ কৰিব পাৰে। তেওঁলোকে বুজিব পৰা নাই যে তিৰোতাই সেৱাৰ কামত পুৰুষৰ প্ৰকৃত সহায় হব লাগে। নাৰীক যি নীতি আৰু প্ৰথাৰ দ্বাৰা বশীভূত কৰি ৰখা হৈছে তাৰ বাবে পুৰুষেই দায়ী আৰু সেই নীতি-নিয়মবোৰ গঢ়াত তেওঁলোকৰ কোনো হাত নাই। অহিংসাৰ ওপৰত স্থাপিত জীৱন নিৰ্ব্বাহৰ প্ৰণালীমতে নিজৰ ভাগ্য গঢ়ি তোলাত পুৰুষৰ যিমান স্বত্ব আছে নাৰীৰো সিমানেই আছে।

কিন্তু যিহেতু অহিংস সমাজত প্ৰত্যেক স্বত্বৰ বাবে আগেয়ে এটা কৰ্ত্তব্য কৰি লব লাগিব সেইহেতু সেই সমাজ চলোৱা ব্যৱস্থাবোৰ পৰস্পৰৰ সহযোগ আৰু পৰামৰ্শ মতেহে বিধান কৰিব লাগে। এই বিধানবোৰ বাহিৰৰ পৰা জাপি দিব নোৱাৰি। পুৰুষে নাৰীৰ প্ৰতি কৰা আচৰণত ই

সত্যটো সম্পূৰ্ণৰূপে উপলব্ধি কৰিব পৰা নাই। তেওঁলোকে নিজকে তিৰোতাতকৈ ডাঙৰ আৰু তিৰোতাৰ গৰাকী বুলি ভাবে, বন্ধু বা সহকৰ্ম্মী বুলি নাভাবে। ভাৰতৰ তিৰোতাক উদ্ধাৰৰ বাটত সহায় কৰাটো কংগ্ৰেছ কৰ্ম্মীসকলৰ এটা গৌৰব-ম।

তিৰোতাবিলাকে আগৰ দিনৰ দাসবিলাকৰ নিচিনা অৱস্থাত আছে। সিবিলাকে নাজানিছিল যে স্বাধীন হব লাগে বা হব পাৰে আৰু যেতিয়া স্বাধীনতা আহিল সিবিলাক একপ্ৰকাৰ অসহায় হৈ পৰিল। তিৰোতাকো পুৰুষৰ দাসী বুলি ভাবিব দিয়া হৈছে। তেওঁলোকক পুৰুষৰ সমকক্ষ বুলি ভাবিবলৈ আৰু পুৰুষৰ কামত সমান অংশ লবলৈ শিকোৱাটো কংগ্ৰেছ-কৰ্ম্মীৰ কাম।

মনকৰিলে এই আন্দোলন সহজ হয়। কংগ্ৰেছ কৰ্ম্মীসকলে নিজ ঘৰতে এই কাম আৰম্ভ কৰক। তিৰোতাক খেলাৰ পুতলা বা আমোদৰ লাড়ু হিচাবে ব্যৱহাৰ কৰিব নালাগে তেওঁলোকক সাধাৰণ কামবোৰত সন্মানিত সহকৰ্ম্মিনী হিচাবে ব্যৱহাৰ কৰিব লাগে। এই বিষয়ে যিবিলাকে মুকলি শিক্ষা পোৱা নাই সেইবিলাকে নিজৰ নিজৰ স্বামীৰ পৰা যিমানদূৰ সম্ভৱ এনে শিক্ষা লব লাগে। সেই একে কথাকেই অলপ লৰচৰ কৰিলেই মাক আৰু ল'ৰা-ছোৱালীৰ বেলিকাও খাটে।

এইটো কোৱা নিষ্প্ৰয়োজন যে ভাৰতৰ তিৰোতাৰ বৰ্ত্তমান যি অসহায় অৱস্থা তাৰ মাত্ৰ এটা ফাকৰ ছবিহে ডাঙি ধৰিছোঁ। মই এই বিষয়ে সম্পূৰ্ণ সজ্ঞান যে সাধাৰণতে তিৰোতাই পুৰুষৰ লগত সমানে চলে আৰু আনকি কিছুমান বিষয়ত পুৰুষতকৈহে চলায়। কিন্তু বাহিৰৰ এজন নিৰপেক্ষ লোকৰ মানত আইন আৰু চলিত প্ৰথামতে সকলো ঠাইতে তিৰোতাৰ অৱস্থা বেয়া, আৰু ইয়াৰ আমূল পৰিবৰ্ত্তন দৰকাৰ।

৯। স্বাস্থ্য বিষয়ক শিক্ষা

গাৰ্হস্থীয়া স্বাস্থ্যৰক্ষাৰ ব্যৱস্থা বিষয়ে ইয়াত যেতিয়া এবাৰ কোৱা হৈছে তেনেস্থলত স্বাস্থ্য বিষয়ক শিক্ষাৰ কথাটো কিয় দিব লাগে বুলি এটা প্ৰশ্ন উঠিব পাৰে।

ইয়াক অৱশ্যে গাৰ্হস্থীয়া স্বাস্থ্যৰ অন্তৰ্ভুক্ত কৰিব পৰা যায় কিন্তু তাৰ বিষয়বোৰৰ লগত মই হাত দিব নোখোজোঁ। গাৰ্হস্থীয়া স্বাস্থ্যৰক্ষাৰ ব্যৱস্থাই পৰিষ্কাৰ পৰিচ্ছন্নতা আৰু স্বাস্থ্যৰ সকলো কথা বুজায়। নিজৰ স্বাস্থ্যৰক্ষা কৰা আৰু স্বাস্থ্যবিষয়ক কথা জনা (Hygiene) দুটা বেলেগ বেলেগ শিক্ষা আৰু তাৰ অনুশীলনৰ বিষয়।

সুপৰিচালিত সমাজৰ লোকে স্বাস্থ্য (Health) আৰু পৰিচ্ছন্নতাৰ (Hygiene) নিয়মবোৰ জানে আৰু পালন কৰে। এইটো এটা নিঃসন্দেহে জনা কথা যে স্বাস্থ্য আৰু পৰিচ্ছন্নতাৰ নিয়ম বোৰ নজনাটোৱেই বেছিভাগ বেমাৰৰে উত্তৰাধিকাৰী হোৱাৰ কাৰণ। আমাৰ মাজত মৃত্যুহাৰ বেছি হোৱাৰ কাৰণ প্ৰধানতঃ দৰিদ্ৰতাই। কিন্তু আমাৰ মানুহে স্বাস্থ্য সম্পৰ্কীয় নিয়মবোৰ ঠিক মতে শিকিলে ইয়াৰে ভালেখিনি কাম কৰিব পাৰিব। শৰীৰ ভালেহে মন ভাল

(Mens Sana is corpore Sana) এই নীতি-টোয়েই মানব জাতিৰ বাবে প্ৰথম নীতি হোৱা উচিত—"সুস্থ দেহত সুস্থ মন" এইটো স্বতঃ সিদ্ধ সত্য। দেহ আৰু আৰু মনৰ মাজত এটা অভেদ্য সম্বন্ধ আছে। সুস্থ মন থাকিলে আমি হিংসা বৰ্জ্জন কৰি কেৱল স্বাস্থ্যৰ স্বাভাৱিক নিয়মবোৰ পালন কৰিয়েই সুস্থদেহ লাভ কৰিব পাৰোঁ। গতিকে মই আশাকৰোঁ, কোনো কংগ্ৰেছ কৰ্ম্মীয়ে গঠনমূলক কাৰ্য্য পদ্ধতিৰ এই বিষয়টো অৱজ্ঞা নকৰিব। স্বাস্থ্যৰক্ষাৰ প্ৰাথমিক নিয়মবোৰ সৰল আৰু সহজে শিকিব পাৰি। টান কেৱল সেইবোৰ পালন কৰা। তাৰে কিছুমান তলত দিয়া হ'ল।

অতি পবিত্ৰ ভাব মনত আনিবা আৰু অসাকৰা ভাব বৰ্জ্জন কৰিবা।

ৰাতিয়ে দিনে আঠাই হৈতে পৰিষ্কাৰ বায়ু সেৱন কৰিবা।

মানসিক আৰু শাৰিৰীক পৰিশ্ৰমৰ সমতা ৰক্ষা কৰিবা।

পোন হৈ ঠিয় হ'বা আৰু পোনকৈ বহিবা আৰু সদায় চাফ চিকুন ভাবে সকলো কাম কৰিবা আৰু সেইবোৰৰ দ্বাৰা তোমাৰ ভিতৰৰ পৰিচয়তা দেখুৱাবা।

তুমি খাবা কেৱল তোমাৰ লগৰ লোকৰ সেৱাৰ বাবে বাচি থাকিবলৈ। নিজক আলসুৱা কৰা হিচাবে নাখাবা। গতিকে তোমাৰ খাদ্য হ'ব সেইখিনিয়েই যিখিনি

তোমাৰ কৌয়াই থাকিবৰ বাবে দৰ্কাৰ। মানুহে যি ধৰণে খায় সেই ধৰণৰ হৈ উঠে।

তোমাৰ পানী, খাদ্য আৰু বহাত পৰিষ্কাৰ হব লাগিব আৰু তুমি নিজেও পৰিষ্কাৰ হৈ সন্তুষ্ট থাকিবা—কিন্তু তুমি তোমাৰ পাৰিপাৰ্শিক সকলোৰে মাজত তুমি নিজৰ বাবে কিচবা পৰিষ্কাৰতা প্ৰচলন কৰি লবা।

— —

১০। প্ৰাদেশিক ভাষা

আমাৰ মাতৃ ভাষাৰ পৰিবৰ্ত্তে ইংৰাজী ভাষাক ভাল পোৱাৰ ফলত শিক্ষিত আৰু ৰাজনীতিজ্ঞ লোক সকলৰ আৰু সৰ্ব্বসাধাৰণৰ মাজত তফাৎ বেচি হৈ গৈছে। আমি যেতিয়া নিজৰ মাতৃ ভাষাৰে কোনো এটা নতুন কথা প্ৰকাশ কৰিব লগীয়া হওঁ তেতিয়া বিমোৰত পৰোঁ।

বৈজ্ঞানিক শব্দবোৰৰ প্ৰতিশব্দ ইয়াত পাবলৈ নাই। তাৰ ফল অমঙ্গলজনক। বৰ্ত্তমান শিক্ষিত লোকৰ সজৰ পৰা সৰ্ব্বসাধাৰণৰ সম্পৰ্ক বিচ্ছিন্ন হৈছে। ভাৰতৰ প্ৰধান প্ৰধান ভাষা কেইটাৰ প্ৰতি অৱজ্ঞা কৰাৰ ফলত যে ভাৰতৰ প্ৰতি কিমান অন্যায় কৰা হৈছে তাক জুখি চোৱাৰ আমাৰ সময় হৈছে। এইটো বুজিবলৈ সহজ যে যদি আমি অন্যায়ৰ পৰিবৰ্ত্তন কৰিব নোৱাৰোঁ তেনেহলে সৰ্ব্বসাধাৰণৰ যি মন সি সদায় কাৰাৰুদ্ধ হৈ থাকিব। সৰ্ব্বসাধাৰণে স্বৰাজ গঠন কৰাৰ বাবে বিশেষ একো কাম কৰিব নোৱাৰে। অহিংসাৰ ওপৰত প্ৰতিষ্ঠিত স্বৰাজৰ ব্যৱস্থা এইটো নহয় যে প্ৰত্যেক ব্যক্তিয়ে স্বাধীনতাৰ বাবে প্ৰত্যক্ষ ভাৱে দান কৰিব লাগে। সৰ্ব্বসাধাৰণে এইবোৰ কৰিব নোৱাৰে—[illegible] তেওঁলোকে ইয়াক সম্পূৰ্ণ ভাৱে বুজিব নোৱাৰে। তেওঁলোকৰ ভাষাত এই বিষয়ে তন্ন তন্নকৈ ব্যাখ্যা কৰি নিদিলে ই সম্ভৱপৰ নহয়।

১১। জাতীয় ভাষা

ইয়াৰ পিচত গোটেই ভাৰতত ভাৱৰ আদান প্ৰদানৰ বাবে ভাৰতীয় ভাষা সমূহৰ পৰাই এনে এটা ভাষা আমি বাচি লব লাগে—যি ভাষা জনসাধাৰণৰ সৰহ ভাগ লোকে মানে আৰু অইনেও সহজে বুজিব পাৰে। সেইটোৱেই হৈছে হিন্দী—ইয়াত সন্দেহ নাই।

এই ভাষা উত্তৰ ভাৰতৰ হিন্দু মুছলমান সকলোৱে কয় আৰু বুজি পায়। এই ভাষা উৰ্দ্দু আখৰত লিখিলে উৰ্দ্দু নাম পায়। ১৯২৫ চনত কানপুৰত বহা কংগ্ৰেছ অধিবেশনত এই নিখিল ভাৰতীয় ভাষাটোক হিন্দুস্থানী নাম দিয়া হয়। সেই-দিন ধৰি হিন্দী ভাষাক ৰাষ্ট্ৰভাষা বুলি কল্পনা কৰা হৈছে।

কল্পনা কৰা হৈছে বুলি কওঁ এই কাৰণেই যে কংগ্ৰেছকৰ্ম্মী সকলে যি ধৰণে ইয়াৰ চৰ্চ্চা কৰিব লাগিছিল সেই ধৰণে কৰা নাই। ১৯২০ চনত ভাৰতীয় ভাষাৰ জৰিয়তে জনসাধাৰণৰ ৰাজনৈতিক শিক্ষা দিয়াৰ আৰু লগে লগে এনে এটা সাধাৰণ ভাষা, যি ভাষা বিভিন্ন প্ৰদেশৰ কংগ্ৰেছকৰ্ম্মী সকলে বুজি পায় আৰু কংগ্ৰেছৰ নিখিল ভাৰতীয় অধিবেশনত সকলোৱে কব পাৰে, তেনে এটা ভাষা লোৱাৰ প্ৰয়োজনীতা উপলব্ধি কৰি,—লবলৈ চেষ্টা কৰা হয়।

এনে ধৰণৰ জাতীয় ভাষা দুই ধৰণে কব আৰু দুয়োধৰণৰ আখৰেৰে লিখিব পাৰিব লাগে।

মই বৰ দুখেৰে সৈতে কব লগীয়াত পৰিছোঁ যে বহুত কংগ্ৰেছকৰ্ম্মীয়ে এই প্ৰস্তাব কাৰ্য্যকৰী কৰিব নোৱাৰিলে। মোৰ বোধেৰে—, সেই কাৰণেই আমি দেশৌ কংগ্ৰেছকৰ্ম্মী সকলে ইংৰাজী কোৱাৰ চেষ্টা আৰু তেওঁলোকৰ সুবিধাৰ বাবে অইনকো কৰবলৈ বাধ্য কৰা। ইংৰাজী ভাষাৰ সম্মোহন আমাৰ পৰা এতিয়াও যোৱা নাই। ইয়াৰ তলত থাকি আমি ভাৰতৰ লক্ষ্যৰ প্ৰতি হোৱা অগ্ৰগতিত বাধা জন্মাইছোঁ। আমি ইংৰাজী ভাষা শিকোতে যিমান বছৰ খাটোঁ, সিমান মাহো যদি আমি হিন্দী শিকোতে নলগাওঁ তেনে হলে জনসাধাৰণৰ প্ৰতি আমাৰ মৰম ওপৰোৱা ধৰণৰ হব

১২। অৰ্থনৈতিক সমস্বত্ব

এইটোৱেই হৈছে অহিংস স্বাধীনতাৰ চাবি-কাঠি। অৰ্থ-নৈতিক সমস্বত্বৰ বাবে কাম কৰা মানে পুঁজিপতি আৰু বনুৱা সমাজৰ যি চিৰন্তন বিবাদ ভাব তাৰ অবসান কৰা। ইয়াৰ অৰ্থ হৈছে একহাতে মুষ্টিমেয় ধনীলোক কেইজনমানৰ হাতত দেশৰ সমস্ত সম্পত্তি জমা হোৱাতো গুচোৱা আৰু আনহাতে অৰ্দ্ধনগ্ন আৰু অৰ্দ্ধভুক্ত লোক সকলক সমান অবস্থালৈ অনা। যিমান দিনলৈ ধনী আৰু লাখ লাখ বুভুক্ষিত লোকৰ মাজৰ এই বিভেদ থাকে, মান দিনলৈ অহিংস শাসন প্ৰণালী সম্ভৱপৰ নহয়।

নতুন দিল্লীৰ প্ৰাসাদ আৰু তাৰ ওচৰে পাজৰে থকা বনুৱা সকলৰ কুটিৰৰ মাজৰ বৈষম্য স্বাধীন ভাৰতত এদিন বিলোপ পাব আৰু দুখীয়া লোক সকলেও দেশৰ ধনী সকলৰ সমান ক্ষমতা লাভ কৰিব। যদি ধনীসকলে স্বেচ্ছাই নিজৰ ঐশ্বৰ্য্য আৰু ক্ষমতা ত্যাগ নকৰে আৰু সেইবোৰ সৰ্ব্বসাধাৰণৰ মঙ্গলৰ বাবে ভাগ নকৰে তেনেহলে এদিন হিংস আৰু ৰক্তপাত হোৱা বিদ্ৰোহ যে হব সি নিশ্চয়।

বন্ধক সম্ভৱ

বন্ধক সম্ভৱৰ ব্যৱস্থাৰ বিষয়ে যিমানে বিক্ৰপ নকৰক মই মোৰ মতত স্থিৰ আছোঁ। ইয়াক লাভ কৰা যে টান এইটো সচা কথা। সেইদৰে অহিংসাও টান কথা। কিন্তু ১৯২০ চনত আমি এই ঠিক গঠনত যোগ দিওঁতে স্থিৰ সিদ্ধান্ত কৰিছোঁ। আমি ইয়াৰ বাবে চেষ্টা কৰাটো ভাল দেখোঁ। ই অহিংসাৰ বাবেও নিশ্চয়। বৰ্তমান আগ্ৰহৰ ভাৰ এনা আমি দিয়ে। আশা কৰোঁ প্ৰত্যেক কংগ্ৰেছকৰ্মীয়ে ধীৰ ভাবে বিচাৰ কৰি অহিংসাৰ বিষয়ে "কিয়" আৰু "কি কৰোঁ" এই প্ৰশ্নৰ উত্তৰ নিজৰ যুক্তিৰে বাচি উলিয়াই লব। তেওঁলোকে নিজকে নিজে সুধিব লাগে হিংস-ভাৱেই হওক বা অহিংস ভাৱেই হওক কোনো এই চলিত অসামঞ্জস্য দূৰ কৰিব পাৰি। মই ভাবোঁ যে আমি হিংস নীতি জানোঁ। এই নীতি কতো কৃতকাৰ্য্য হব পৰা নাই।

অহিংস নীতিৰ পৰীক্ষা এতিয়াও চলি আছে। আমি ইয়াক এতিয়াও হাতে কামে দেখুৱাব পৰা হোৱা নাই। কিন্তু এইটো ঠিক যে সামঞ্জস্যৰ কাৰণে অতি মন্থৰ গতিত হলেও ই কাম কৰি আছে—থাক যিহেতু ইয়াৰ দ্বাৰা হোৱা পৰিবৰ্ত্তন স্থায়ী হোৱা উচিত। অহিংসাৰ দ্বাৰা যদি কোনো সমাজ নাইবা জাতি এটা গঠিত হয় তেনেহলে ইয়াৰ বিৰুদ্ধে ভিতৰ কালৰ পৰা হওক নাইবা বাহিৰ কালৰ পৰাই হওক ইয়াৰ বিৰুদ্ধে হোৱা আক্ৰমণ অতিক্ৰম কৰিবই লাগিব।

আমাৰ অনুষ্ঠানত টকা পইচা থকা কংগ্ৰেছকৰ্ম্মী আছে, তেওঁলোকেই এই বিষয়ত বাট দেখুৱাব লাগে। এই আন্দোলনত প্ৰত্যেক কংগ্ৰেছকৰ্ম্মীয়ে সবল অন্তঃকৰণ বিচাৰৰ সুবিধা পাব। যদি আমি কেতিয়াবালৈ সমতা লাভ কৰিব খোজোঁ তেনেহলে তাৰ ভিত্তি এতিয়াই স্থাপন কৰিব লাগিব। যিবিলাক ভাবে যে স্বৰাজ অহাৰ পাছত বেচিভাগ সংস্কাৰেই হৈ যাব। তেওঁলোকে অহিংস স্বৰাজৰ প্ৰাথমিক কাৰ্য্য সম্পৰ্কে নিজকে প্ৰতাৰিত কৰিছে। ই হঠাতে এদিন ৰাতিপুৱা স্বৰ্গৰ পৰা আহি নামি নপৰে। ইয়াক সম্মিলিত আত্ম-চেষ্টাৰ দ্বাৰা স্তৰে স্তৰে সজাই যাব লাগিব। আমি এই পথত ভালেখিনি আগ বাঢ়িছোঁ। তথাপি স্বৰাজৰ গৌৰবপূৰ্ণ মহান মূৰ্ত্তি দেখিবলৈ হলে এতিয়াও বহুত দুৰ বাট অতিক্ৰম কৰিবলগীয়া আছে প্ৰত্যেক কৰ্ম্মীয়ে নিজকে প্ৰশ্ন কৰিব লাগে—তেওঁলো অৰ্থ-নৈতিকসামঞ্জস্যৰ প্ৰাপ্তিৰ বাবে কি কৰিছে ?

১৩। কৃষক

আঁচনি এতিয়াও সম্পূৰ্ণ হোৱা নাই। স্বৰাজৰ গঠন বিৰাট। ইয়াক গঠন কৰিবলৈ ৮০ কোটিখন হাতে কাম কৰিব লাগিব। ইয়াৰ ভিতৰত কিষান অৰ্থাৎ খেতিয়ক শ্ৰেণীৰে বেচি। যিহেতু ইয়াৰ বেচিভাগেই কৃষক (সম্ভৱতঃ শতকৰা ৮০ জনেই কৃষক। সেইহেতু কৃষকেই কংগ্ৰেছ হোৱা উচিত। কিন্তু সেইটো হোৱা নাই। যেতিয়া তেওঁলোকে তেওঁলোকৰ অহিংস শক্তিৰ বিষয়ে জানিব তেতিয়া পৃথিৱীৰ কোনো শক্তিয়ে তেওঁলোকক প্ৰতিৰোধ কৰিব নোৱাৰিব।

তেওঁলোকক ৰাজনৈতিক ক্ষমতাৰ বাবে খটাব নালাগে। তেনে কৰাটো মই অহিংসা উপায়ৰ বিৰোধি বুলি ভাবোঁ। যিবিলাকে, কৃষক সকলক চলোৱা উপায় জানিব খোজে, তেওঁলোকে চম্পাৰণৰ আন্দোলনৰ কথা পঢ়িলে লাভবান হব পাৰে। ভাৰতৰ সত্যাগ্ৰহ পোনপ্ৰথমে এই ঠাইতে পৰীক্ষা কৰি লোৱা হয় আৰু ইয়াৰ ফল সমগ্ৰ ভাৰতেই জানে। ই জন আন্দোলনত পৰিণত হৈছিল আৰু আৰম্ভণীৰ পৰা শেষলৈকে অহিংস আছিল। ২০ লাখতো ওপৰ কৃষকে ইয়াত যোগ দিছিল।

আন্দোলনটোৰ মূলতে আছিল এটা শতাব্দীৰ পুৰণি বিশেষ অভিযোগ। এই অভিযোগ গুচাবলৈ কেবাবাৰো হিংস বিদ্ৰোহ কৰা হৈছিল। ফলত কৃষক বোৰক বশীভূত কৰিছিল। অহিংস প্ৰতিকাৰে হলে ছমাহতে সম্পূৰ্ণ কৃতকাৰ্য্য হ'ল। চম্পাৰণৰ কৃষক সকল কোনো ৰকমৰ পোনপতিয়া চেষ্টা নোহোৱাকৈয়ে ৰাজনীতিত সজাগ হৈ উঠিল। অহিংস ভাবে কাম কৰাৰ এনে সন্তুষ্ট প্ৰমাণ পাই তেওঁলোক কংগ্ৰেছৰ পিনে ঢাল খালে আৰু বাবু ব্ৰজকিশোৰ প্ৰসাদ আৰু ৰাজেন্দ্ৰ প্ৰসাদৰ নেতৃত্বত গোটা আইন অমান্য আন্দোলন এবাৰ যথেষ্ট কাম দেখুৱাইছে। পাঠক সকলে খেদা বাদোলি আৰু বৰসাদৰ কৃষক আন্দোলনৰ কথাও পঢ়িব পাৰে। কৃষক সকলক তেওঁলোকৰ নিজা আৰু উপলব্ধি কৰা অভিযোগৰ বাহিৰে অইন প্ৰকাৰৰ ৰাজনৈতিক নোখোটোৱালেই ইয়াৰ গুপুত ৰহস্য পোৱা যায়। এটা বিশেষ অন্যায়ৰ বিৰুদ্ধে তেওঁলোকে সংঘবদ্ধ হব জানে অহিংসাৰ বিষয়ে তেওঁলোকক কোনো ধৰ্ম্মবাণী শুনাব নালাগে। প্ৰথমে তেওঁলোকে যি হিচাবে বুজে সেই হিচাবে অহিংসাৰ প্ৰয়োগ কৰিবলৈ দিব লাগে। আৰু পিচত যেতিয়া তেওঁলোকক কৈ দিয়া যাব যে তেওঁলোকে অবলম্বন কৰা উপায়টো হৈছে অহিংসা, তেতিয়া তেওঁলোকে তাক সহজে বুজি পাব।

এই বিলাক উদাহৰণৰ পৰাই কংগ্ৰেছ কৰ্ম্মীসকলৰ যি সকলে ইচ্ছা কৰে তেওঁলোকে, কৃষকৰ মাজত আৰু কৃষকৰ

কাৰণে কেনেকৈ কাম কৰিব লাগে শিকিব পাৰিব। মই কওঁ যে কিছুমান কংগ্ৰেছকৰ্ম্মীয়ে যি ধৰণে কৃষকসকলক সম্মিলিত কৰিব গৈছে তাৰ দ্বাৰা তেওঁলোকৰ একো উপকাৰ কৰিবতো পৰা নাইয়েই তাৰ ওপৰি সম্ভবতঃ তেওঁলোকক অন্যায়হে কৰিছে। সি যি কি নহওক মুঠতে তেওঁলোকে অহিংস উপায় লোৱা নাই। কিছুমান কংগ্ৰেছকৰ্ম্মীৰ শলাগ লব লাগে এই বুলিয়ে যে তেওঁলোকে অহিংসাত বিশ্বাস নাই বুলি স্বীকাৰ কৰে। এনে ধৰণৰ কৰ্ম্মীৰ 'প্ৰতি' মোৰ এইটোৱেই উপদেশ যে তেওঁলোকে কংগ্ৰেছৰ নাম লোৱা বা কংগ্ৰেছকৰ্ম্মী হোৱা উচিত নহয়।

পাঠকসকলে এতিয়া বুজি পাব কিয় মই কৃষক আৰু বনুৱাসকলক গোটেই ভাৰতত একেসময়তে সম্মিলিত কৰিবলৈ ইচ্ছা কৰা নাই। কেনেকৈনো মই সকলোবোৰ হাতকে একেফালে টানি নিও আৰু বোধহয় আমাৰ খনৰ নিচিনা প্ৰকাণ্ড দেশ এখনত ই সম্ভৱপৰো নহয়। যিয়ে নহওক অহিংসাত কোনো ভেটাওপৰা হব নোৱাৰে। শীতল যুক্তি আৰু নিদৰ্শনেৰে অহিংসাৰ কাম কৰিব লাগিব বুলি বিশ্বাস হব লাগিব।

মোৰ মতেৰে হলে, বনুৱাবিলাকৰ দৰে কংগ্ৰেছৰ ভিতৰতে তেওঁলোকৰ বিশেষ অভিযোগবোৰৰ বাবে এটা বিভাগ থাকিব লাগে।

১৪। বনুৱা

আহমদাবাদৰ বনুৱা সন্মিলনেই গোটেই ভাৰতৰ অনুকৰণীয় আদৰ্শ হোৱা উচিত। মূঠতে ইয়াৰ ভিত্তি হৈছে অহিংসা। ইয়াৰ জীৱিত অৱস্থাত কেতিয়াও পৰাজয় হোৱা নাই। ই কোনো গোলমাল নোহোৱাকৈয়ে আৰু কাকো দেখুৱাবলৈ নোযোৱাকৈয়ে ক্ৰমান্বয়ে শক্তি সঞ্চয় কৰি গৈছে। এই সংঘৰ নিজ ডাক্তৰ খানা আছে। মিলৰ বনুৱাৰ লৰাছোৱালীৰ বাবে স্কুল আছে। ডাক্তৰৰ বাবে খৰচ হয়—ইয়াৰ নিজা ছপাখানা আছে। প্ৰত্যেকেই নিৰ্বাচনৰ ফলাফল স্থিৰ কৰিব পাৰে। প্ৰাদেশিক কংগ্ৰেছ কমিটিৰ সৌজন্যত তেনেকৈ ভোটাৰ নিৰ্দ্দিষ্ট ভুক্ত হৈ পৰে।

এই সঙ্ঘই কংগ্ৰেছৰ ৰাজনীতিত কোনো অংশ গ্ৰহণ কৰা নাই। ই কেৱল চহৰৰ মিউনিচিপালিটিৰ ৰীতিহে ঠিক কৰে। ই পুৰামন্ত্ৰাই অহিংসভাবে ধৰ্ম্মঘট কৰি—কৃতকাৰ্য্য হৈছে। মিলৰ মালিক আৰু বনুৱা সকলৰ যি সম্বন্ধ সেইটো তেওঁলোকেই ঠিক কৰি লয়। যদি মোৰ ক্ষমতা থাকিলহেতেন তেনেহলে মই ভাৰতৰ সকলো সঙ্ঘকেই আহমদাবাদৰ আদৰ্শ লৈ গঢ়ি ললোহেঁতেন। ই কেতিয়াও নিখিল ভাৰতীয় ট্ৰেড ইউনিয়ন

কংগ্ৰেছৰ ভিতৰ সোমাবলৈ চেষ্টা কৰা নহি আৰু সেইবাবেই ভাব দ্বাৰা প্ৰভাবান্বিত হোৱা নাই। মই আশা কৰোঁ। এনে এটা সময় আহিব যি সময়ত ট্ৰেড ইউনিয়ন কংগ্ৰেছে আহমদা-বাদৰ নীতি মানি লব আৰু আহমদাবাদ বন্দুৱা সঙ্ঘ মানি লব। কিন্তু মই দোৰাদোৰি কৰাৰ কাৰণ নেদেখোঁ। সময়ত ই হৈ যাব।

১৫। কুষ্ঠৰোগী

কুষ্ঠৰোগী এই শব্দটো এটা কুৎচিত শব্দ। ভাৰতবৰ্ষ হৈছে কুষ্ঠৰোগীৰ বাসস্থান আৰু মধ্য আফ্ৰিকাৰ পিচতেই ইয়াৰ ঘৰ। এটাইতকৈ দীঘল লোকসকলেহে আমাৰ দৃষ্টি সহজাৰ নইলেও আকৰ্ষণ কৰে। কিন্তু অসংখ্য কুষ্ঠ ৰোগী যাৰ প্ৰতি আমাৰ চকু যোৱা উচিত সেইবোৰ হৈছে দস্তুৰমত উপেক্ষিত। ইয়াকে মই অহিংসাৰ মাজত থকা নিষ্ঠুৰতা বুলি কব খোজোঁ। সেইলোকৰ বাবে বেচিকৈ যত্ন লয় মিছনাৰী সকলেহে—এইটো স্বীকাৰ কৰিব লাগিব। পবিত্ৰ প্ৰেমৰ কাম হিচাবে ভাৰতীয়ৰ দ্বাৰা পৰিচালিত একমাত্ৰ অনুষ্ঠান হৈছে ৱৰ্দ্ধাৰ ওচৰত শ্ৰীযুত মনোহৰ দেৱানে চলোৱা থলেত। ইয়াৰ কাম চলিছে শ্ৰীযুত বিনোভা ভাৱেৰ অনুপ্ৰেৰণা আৰু তত্বাৱধানত। যদি ভাৰতে নবজীৱন লাভ কৰিলহেঁতেন, যদি সত্য আৰু অহিংসাৰে অতি সোনকালে স্বাধীনতা অৰ্জ্জন কৰিবলৈ আমি তৎপৰ হলোহেঁতেন, তেনেহলে কোনো এটা ভিখাৰী বা কোনো এটা কুষ্ঠ ৰোগী অসভ্যত নাথাকিলহেঁতেন।

এই নতুন সংস্কৰণত মই ভাবি চিন্তি গঠনমূলক প্ৰয়াসৰ শিকলিত কুষ্ঠ ৰোগীৰ কথাটো এটা আঙুটি হিচাবে সোমাই

লৈছোঁ। কাৰণ আমি যদি নিজৰ পিনে চাওঁ তেনেহলে বৰ্ত্তমান সভা জগতত আমাৰ অৱস্থা ভাৰতৰ কুষ্ঠৰোগীৰ লগত একে দেখোঁ। সাগৰৰ সিপাৰৰ আমাৰ ভাই বন্ধু বিলাকৰ অৱস্থাৰ সম্পৰ্কে বিচাৰ কৰি চোৱা আৰু তেতিয়া মোৰ কথাৰ সাৰ্থকতা বুজিব পাৰিবা।

১৬। আদিবাসী

"আদিবাসী" শব্দটো "ৰাণীপৰাজ"ৰ দৰে এটা নতুনকৈ তৈয়াৰ কৰা শব্দ। ৰাণীপৰাজ শব্দটো ব্যৱহাৰ কৰা হৈছে, কালিপৰাজ শব্দৰ পৰিবৰ্তে (যাৰ অৰ্থ-হৈছে ক'লা মানুহ যদিও এইলোকৰ গাৰ চামৰ ৰং অইনবোৰতকৈ বেছি ক'লা নহয়) এই শব্দটো চলায় বোধহয়; শ্ৰীযুত জগৎৰামে। আদিবাসী শব্দই (আদিম অধিবাসী বা ভিল, গোণ্ড আৰু আন পৰবৰ্তীয়া লোকৰ আগত) আগৰে পৰা বাস কৰি থকা লোকসকলক বুজায় আৰু মোৰ বিশ্বাস এই শব্দ ঠক্কৰ বাপাই উলিয়াইছে।

আদিবাসীৰ সেৱাও গঠনমূলক কাৰ্যৰ এটা অংশ। যদিও ইয়াক ষোড়শ নম্বৰত ধৰা হৈছে তথাপি ইয়াৰ আৱশ্যকতা কম নহয়। আমাৰ দেশখন ইমান বিশাল আৰু ইয়াৰ জাতিবোৰ ইমান বিভিন্ন প্ৰকাৰৰ যে আমাৰ মাজৰ বৰ বৰ বিদ্যাকেও ইয়াৰ মানুহৰ অৱস্থাৰ বিষয়ে কি কি জানিবলগীয়া আছে কব নোৱাৰোঁ।

প্ৰত্যেক সভ্যৰে পৰস্পৰৰ প্ৰতি যদি এক হৈ থোৱাৰ সজীৱ বোধ নাথাকে তেনেহলে আমি একজাতি হোৱা কথা যে কিমান টান বুজিব পৰা যাব।

গোটেই ভাৰতত এই আদিবাসীৰ সংখ্যা ২ কোটিৰো ওপৰ হব। কেবাবছৰো আগৰেপৰা বাপাই গুজৰাটত ভিল-বিলাকৰ মাজত কাম কৰিবলৈ আৰম্ভ কৰিছে। ১৯৪০ চনত কঙলচাহাবে থানা জিলাত তেওঁৰ স্বাভাৱিক উৎসাহেৰে সৈতে এই কামত লাগি যায়। তেওঁ বৰ্ত্তমান আদিবাসী সেৱা-মণ্ডলৰ সভাপতি। ভাৰতত এনেকুৱা কৰ্ম্মী আৰু আছে কিন্তু তেওঁলোকেই যথেষ্ট নহয়। আচলতে চেপাৰ লগাখ্যা খেতি এচি কিন্তু তাৰ বাবে বনুৱা নাই। কোনে এই কথা স্থুট কৰিব পাৰে যে এইবোৰ কেৱল মানৱতাৰ কাম নহয়— জাতীয়তাৰো কাম আৰু ই আমাক প্ৰকৃত স্বাধীনতাৰ দিনে লৈ যায়?

১৭। ছাত্ৰ

ছাত্ৰ সকলৰ কথাটো মই শেষলৈ থৈছো। সদায় মই তেওঁ লোকৰ লগত ঘনিষ্ঠতা স্থাপন কৰি আহিছোঁ। তেওঁ লোকেও মোক জানে আৰু মইও তেওঁ বিলাকক জানোঁ। তেওঁ লোকে মোৰ বহুত কাম কৰি দিছে। বহুতো কলেজ এৰা ছাত্ৰই মোৰ মূল্যবান সহকৰ্ম্মী। মই জানোঁ তেওঁলোকেই ভৱিষ্যতৰ আশাৰ স্থল। অসহযোগ আন্দোলন পূৰ্ণোদ্যমে চলাৰ সময়ত তেওঁ লোকক স্কুল কলেজ এৰি আহিবলৈ আহ্বান কৰা হৈছিল। কিছুমান ছাত্ৰ আৰু প্ৰফেচাৰে কংগ্ৰেছৰ আহ্বান শুনিছিল আৰু তেওঁ লোকে স্থিৰ থাকি তেওঁ লোকৰ নিজৰ আৰু দেশৰ বাবে যথেষ্ট লাভ অৰ্জ্জন কৰিছে। আহ্বান আৰু দুনাই কৰা হোৱা নাছিল আৰু তাৰ বাবে দৰ্কাৰো হোৱা নাছিল।

অভিজ্ঞতাৰ পৰা এইটো জনা গৈছে বৰ্ত্তমান শিক্ষা প্ৰণালী অপ্ৰাকৃতিক আৰু অসাত্য হলেও দেশৰ ডেকা সকলৰ বাবে যথেষ্ট। কলেজীয়া শিক্ষাই জীৱনৰ এটা অৱস্থা গঢ়ি তোলে। ই বিশিষ্ট সমাজলৈ সোমাব অনুমতি পত্ৰৰ নিচিনা। এই চলি অহা পথেৰে নগলে জ্ঞান বুভুক্ষা

দূৰ নহয়। মাতৃভাষাৰ ঠাই অধিকাৰ কৰা এটা বিদেশী ভাষা শিকোতেই তেওঁলোকে মূল্যবান বছৰবোৰ নষ্ট কৰে। ইয়াৰ পাপ কাৰণটো আমাৰ চকুত নপৰে। তেওঁলোকে আৰু তেওঁলোকৰ শিক্ষকসকলে স্থিৰ কৰি লৈছে যে, আধুনিক ভাব-ধাৰাৰ বিজ্ঞানৰ ৰাজ্যত প্ৰবেশ কৰিবৰ বাবে দেশী ভাষাবোৰ কোনো কামত নাহে। মই আচৰিত হৈছো জাপানে কেনেকৈ উন্নতি কৰিব পাৰিছে। তেওঁলোকৰ সকলো শিক্ষা জাপানী ভাষাতেই দিয়া হয়। চীনৰ নেতাই (Generalissimo) ইংৰাজী ভাষাৰ কিবা জানিলেও অলপহে জানে।

ভবিষ্যত নেতা

এই যুৱক-যুৱতীবিলাকৰ মাজৰ পৰাই ভৱিষ্যত জাতি গঢ়ি উঠিব লাগিব। কিন্তু দুৰ্ভাগ্যবশতঃ তেওঁলোকৰ ওপৰত বিভিন্ন প্ৰকাৰৰ প্ৰভাৱ পৰিছে। অহিংসাই তেওঁলোকক খুব কমেই আকৰ্ষণ কৰে। "ভুকুৰ পৰিবৰ্তে ভুকু" বা "এটা ভুকুৰ পৰিবৰ্তে দুটা ভুকু" বোলা কথা সহজে বুজা যায়। ইয়াৰ ফল অতি সাংঘাতিক হ'ব যদিও সি অস্বাদ্য হয়। ই হৈছে এটা অশুদ্ধ পাশৱিক শক্তি পৰীক্ষা, আৰু ইয়াক মানুহ নাইবা পশুৰ যুদ্ধৰ সময়ত দেখা যায়।

অহিংসাৰ গুণকীৰ্ত্তন কৰা মানে হৈছে ধৈৰ্য্যপূৰ্ণ গবেষণা কৰা আৰু তাৰ কামত খটুৱাবলৈ আৰু বেচি ধৈৰ্য্যলৈ কঠিন চেষ্টা কৰা। মই ছাত্ৰসকলক প্ৰতিযোগীৰ লিষ্টৰ ভিতৰত ধৰা নাই। কাৰণ যুক্তিৰ প্ৰভাৱত মই কৃষক আৰু বনুৱাকহে মই এই কাম দিছোঁ। মই নিজেও ইয়াৰ লগৰে চ.ব। যদি দকৈ ভাবি চোৱা যায়—মোৰ বিশ্ব-বিদ্যালয় তেওঁলোকৰ বিশ্ববিদ্যালয়তকৈ অলপ বেলেগ দৰ-পৰ। মোৰ বিশ্ববিদ্যালয়ৰ সদায় প্ৰতি গবেষণাত যোগ দিয়াৰ বাবে আহ্বান কৰি থোৱাই আছে। তাৰ সৰ্ত্তবোৰ ইয়াত দিয়া হ'ল।

ছাত্ৰৰ কাৰণে সৰ্ত্ত

(১) ছাত্ৰই কেতিয়াও দলগত ৰাজনীতিত যোগ দিব নালাগিব তেওঁলোক পঢ়ুৱৈ আৰু গবেষক কিন্তু ৰাজ-নীতিজ্ঞ নহয়।

(২) তেওঁলোকে ৰাজনৈতিক ধৰ্ম্মঘটত যোগ দিয়া উচিত নহয়। তেওঁলোকৰ মাজতো বীৰ পুৰুষ ওলাব লাগে আৰু সেই বীৰ পুৰুষৰ প্ৰতি সন্মান দেখুৱাব লাগে। তেওঁৰ গাত থকা গুণবোৰ অনুকৰণ কৰিহে (কিন্তু সেই বীৰ পুৰুষৰ কাৰাবাস, মৃত্যু নাইবা ফাচি হলেও, ধৰ্ম্মঘট কৰি) তেওঁৰ প্ৰতি

সন্মান দেখুৱাব নালাগে। যদি তেওঁলোকৰ শোক অসহনীয় হৈ পৰে আৰু সকলো ছাত্ৰই সমানে অনুভৱ কৰে তেনেহলে—তেনেক্ষেত্ৰত প্ৰিন্সিপালৰ সম্মতিলৈ স্কুল নাইবা কলেজ বন্ধ কৰিব লাগে। যদি প্ৰিন্সিপালে সেই বিষয়ে কাণ নিদিয়ে তেতিয়াহে তেওঁলোকে শান্তিপূৰ্ণভাবে সেই অনুষ্ঠান এৰি দিব—যেতিয়ালৈকে তাৰ পৰিচালক সকলে অনুতাপ নকৰে আৰু ফিৰি যাবলৈ আহ্বান নকৰে। কোনো কাৰণতে তেওঁলোকে বিপক্ষ দলৰ নাইবা কৰ্তৃপক্ষৰ ওপৰত বল প্ৰয়োগ কৰিব নালাগে, তেওঁলোকৰ এইটো বিশ্বাস থাকিব লাগিব যে যদি তেওঁলোকে ঐক্যবদ্ধ হয় তেনেহলে তেওঁলোকে নিশ্চয় জয়লাভ কৰিবই।

(৩) তেওঁলোকে সদায় পবিত্ৰ উদ্দেশ্যলৈ সূতা কাটিব লাগিব আৰু তেওঁলোকৰ সূতাকটা প্ৰণালী হব বৈজ্ঞানিক ধৰণৰ। তেওঁলোকৰ সৰঞ্জামবোৰ সদায় পৰিস্কাৰ-পৰিচন্ন আৰু ভালে থাকিব লাগে। সম্ভৱ হলে সেইবোৰ নিজেই কৰি লব লাগে। তেওঁলোকৰ সূতা স্বাভাবিকতে অতি উত্তম হব লাগে। তেওঁলোকে সূতাকটা সম্পৰ্কে কিতাপ-পত্ৰ পঢ়ি—ইয়াৰ অৰ্থনৈতিক, সামাজিক, নৈতিক আৰু ৰাজনৈতিক সকলোবোৰ বিষয়কে আয়ত্ব কৰি লব লাগে।

(৪) তেওঁলোকে সকলো সময়তে খাদি ব্যৱহাৰ কৰিব লাগে আৰু বিদেশত নাইবা কলত তৈয়াৰী বস্ত্ৰৰ পৰিবৰ্ত্তে গাঁৱত উৎপন্ন হোৱা বস্ত্ৰ ব্যৱহাৰ কৰিব লাগে।

(৫) তেওঁলোকে বন্দে মাতৰম ধ্বনি বা জাতীয় পতাকা আইনৰ ওপৰত চপাই দিব নালাগে। তেওঁলোকে জাতীয় পতাকা অঙ্কিত বুটাম নিজে পিন্ধিব কিন্তু আইনক তাৰ বাবে বাধ্য নকৰিব।

(৬) তেওঁলোকে ত্ৰিৰঙ্গ পতাকাৰ অৰ্থ নিজেই মানি লব আৰু অন্তৰং সাম্প্ৰদায়িক নাইবা অস্পৃশ্যতাক ঠাই নিদিব। তেওঁলোকে অন্য ধৰ্ম্মৰ আৰু হৰিজন ছাত্ৰ সকলৰ লগত প্ৰকৃত বন্ধুত্ব স্থাপন কৰি তেওঁলোকক নিজৰ আত্মীয় স্বজন বুলি ভাবিব।

(৭) তেওঁলোকে, ওচৰ-চুবুৰীয়া কোনো আহত হলে প্ৰাথমিক সাহায্য কৰাটো এটা কাম বুলি স্থিৰ কৰি লব লাগে আৰু ওচৰ পাজৰৰ গাওঁবোৰৰ মলমূত্ৰ চাফা কৰা আৰু পৰিষ্কাৰ কৰা কাম কৰিব লাগে আৰু গাৱঁৰ লৰা-ছোৱালী, যুবক-যুৱতী সকলক এই বিষয়ে শিক্ষা দিব লাগে।

(৮) তেওঁলোকে দ্বিপ্ৰকাৰৰ পৰিধান শিক্ষা জাতীয় ভাষা হিন্দুস্থানী শিকিব লাগে। হিন্দু আৰু উৰ্দ্দু, দুয়োটা ধৰণে কবলৈ আৰু লিখিবলৈ শিকিব লাগে যাতে উৰ্দ্দু কলে নাইবা নাগৰী বা উৰ্দ্দু আখৰ লিখিলে কোনো অসুবিধা নাপায়।

(৯) তেওঁলোকে নতুনকৈ যিয়েই শিকে তাকেই তেওঁৰ নিজা মাতৃভাষাত অনুবাদ কৰিব লাগে আৰু ওচৰ পাজৰৰ গাওঁবোৰত তেওঁলোকৰ সাপ্তাহিক ভ্ৰমণত সেইবোৰ দি আহিব লাগে।

(১০) তেওঁলোকে গোপনে একো নকৰিব। ব্যৱহাৰত তেওঁলোকে সৰ্ব্বসাধাৰণতকৈ ওপৰত হব লাগে, সংযমপূৰ্ণভাবে জীৱন নিৰ্ব্বাহ কৰিব লাগে, শঙ্কা পৰিহাৰ কৰি লগৰ দুৰ্ব্বল ছাত্ৰক ৰক্ষা কৰাৰ বাবে আৰু নিজৰ জীৱন বিপন্ন কৰি হলেও অহিংসাৰে গণ্ডগোল থমাবলৈ সাজু হৈ থাকিব লাগে আৰু শেষত যেতিয়া যুদ্ধবাগৰৰ বাবে গৰম অৱস্থাৰ সৃষ্টি হব তেতিয়া তেওঁলোকে নিজৰ নিজৰ অনুষ্ঠান এৰি থাহিব আৰু দৰকাৰ হলে দেশৰ স্বাধীনতাৰ বাবে আত্মাহুতি দিব।

তেওঁলোকে তেওঁলোকৰ লগৰ ছাত্ৰ-ছাত্ৰী সকলৰ প্ৰতি ব্যৱহাৰত সঠিক শুদ্ধ আৰু বীৰোচিত হব লাগে।

মই ইয়াত দেখুওৱা আঁচনি মতে কাম কৰিবলৈ ছাত্ৰ-সকলে সময় পাব লাগিব। মই জানো যে তেওঁলোকে ভালে-খিনি সময় এনেকুৱা হৈ কটায়। মিতব্যয়ী হলে তেওঁলোকে বহুত সময় উলিয়াব পাৰে। মই কোনো ছাত্ৰৰ ওপৰতে অনাবশ্যকীয় বোজা দিব নোখোজো। গতিকেই মই দেশ-প্ৰেমিক ছাত্ৰসকলক এটা বছৰ মাত্ৰ ইয়াত ব্যয় কৰিবলৈ উপদেশ দিওঁ—আৰু তাকো একে লগে নহয়—তেওঁলোকৰ গোটেই পঢ়া কালছোৱৰ ভিতৰত। সেতিয়াহলে তেওঁ-লোকে দেখিব এনেকৈ এটা বছৰ গলে সি অথলে নাযায়। এই চেষ্টাই তেওঁলোকৰ মানসিক, আধ্যাত্মিক আৰু শাৰীৰিক

সম্বলহে বৃদ্ধি কৰিব আৰু তেওঁলোকৰ ছাত্ৰ অৱস্থাতে স্বাধীনতা আন্দোলনৰ বাবে যথেষ্ট কৰিব পাৰিব।

অসহযোগ আন্দোলনৰ স্থান

মই অৱশ্যে ইয়াত কৈ আহিছোঁ যে, সম্পূৰ্ণ অহিংস প্ৰণালীৰে স্বাধীনতা অৰ্জ্জন কৰিবলৈ আইন অমান্যতাৰ দৰ্কাৰ একেবাৰেই নহয় যদি গোটেই জাতিটোৱে সহযোগ গঠনমূলক কাৰ্য্যপদ্ধতিৰ বাবে পোৱা যায়। কিন্তু তেনে ভাগ্য কোনো ব্যক্তিৰ বা জাতিৰ কপালত খুব কমেহে মিলে। গতিকেই এটা জাতিৰ মাজত বিস্তৃত অহিংস প্ৰণালীত আইন অমান্যতাৰ স্থান ক'ত জনা দৰ্কাৰ।

ইয়াৰ কাম

ইয়াৰ কাম হৈছে তিনি প্ৰকাৰৰ—(১) এটা স্থানীয় অন্যায়ৰ প্ৰতিকাৰৰ বাবে ইয়াৰ প্ৰয়োগ কৰিব পাৰি।

(২) স্থানীয় বা বিশেষ অন্যায়ৰ কাৰণে হলেও ইয়াৰ ফলাফলৰ বাবে আশা নকৰাকৈয়ো স্থানীয়লোকৰ চেতনা আৰু বিবেক জগাই তুলিবলৈ—আত্ম-বলিদান কৰা হিচাবেও

ইয়াৰ প্ৰয়োগ কৰিব পাৰি। চম্পাৰণত যেতিয়া মই আইন-অমান্য কৰো তেতিয়া সি ঠিক এই ধৰণৰে আছিল। তেতিয়া মই ইয়াৰ ফলাফলৰ বাবে আশা কৰা নাছিলো আৰু ভাবিছিলো যে ইয়াৰ মানুহে কোনো সহানুভূতি নেদেখুৱাব। ভাগ্যৰ জোৰত অথবা ঈশ্বৰৰ অনুগ্ৰহত, ইয়াৰ কচি সম্পূৰ্ণ ধৰণে ভাবাৰ বিপৰীত ফল ধৰিলে। গঠনমূলক প্ৰয়াসৰ বাবেও ১৯৪১ চনত কৰা ধৰণে, ইয়াৰ প্ৰয়োগ কৰিব পৰা যায়। যদিও স্বাধীনতাৰ যুদ্ধৰ ই এটা অংশ স্বৰূপ তথাপি ইয়াক এটা বিশেষ কাৰণ লৈহে আৰম্ভ কৰা হৈছিল আৰু সেইটো আছিল— কথা কোৱাৰ স্বাধীনতা। আইন অমান্যতা স্বাধীনতাৰ নিচিনা এটা ডাঙৰ আৰু সাধাৰণ কাৰণত প্ৰয়োগ কৰিব নোৱাৰি। ইয়াৰ প্ৰয়োগৰ কাৰণ স্থিৰ আৰু বিপক্ষক কাবু কৰিব পৰা শক্তিৰ ভিতৰত থাকিব লাগিব। ঠিকমতে প্ৰয়োগ কৰিব পাৰিলে ই শেষ লক্ষলৈ লৈ যাব পৰা হব লাগিব।

যুজাৰুসকলৰ বাবে উপগনি সকলোবোৰ স্থান আৰু সম্ভাব্যতাৰ বিষয়ে বিচাৰ কৰা নাই। পাঠকে যাতে গঠন-মূলক কাৰ্য্যপদ্ধতি আৰু আইন অমান্যতাৰ মাজৰ সম্বন্ধটো বুজিব পাৰে তাৰ বাবে ইয়াৰ যথেষ্ট আভাষ দিছোঁ। প্ৰথম ঘটনা দুটাত গঠনমূলক আঁচনিৰ দৰ্কাৰ হোৱা নাছিল আৰু হব নোৱাৰিছিলো। কিন্তু যেতিয়া স্বাধীনতা লাভৰ

খাবেই আইন অমান্যৰ সৃষ্টি কৰা হৈছে, তেনেস্থলত আগবেপৰা সাজু হৈ থকা দৰ্কাৰ আৰু যি সকলে ইয়াৰ বাবে যুঁজে তেওঁলোকৰ চকুত পৰা ধৰণৰ আৰু সজ্ঞান যত্নৰ দ্বাৰা ই পৰিচালিত হব লাগিব।

গতিকেই আইন অমান্যতাটো হৈছে যুঁজাৰু বিলাকৰ পক্ষে উৎসাহ উদ্দীপক আৰু বিপক্ষৰ প্ৰতি প্ৰতিবাদ স্বৰূপ। পাঠকে এইটো পৰিষ্কাৰ ভাবে জনা উচিত যে স্বাধীনতাৰ উদ্দেশ্যত আইন অমান্য আন্দোলনৰ কোনো মূল্য নাথাকিব আৰু ই কেৱল মিছা ধমকিত হে পৰিণত হব—যদি তাৰ পিচত গঠনমূলক আঁচনি অনুযায়ী লাখ লাখ লোকৰ (জনসাধাৰণৰ) সহযোগ নাথাকে।

—

সামৰণি

—※—

এই গ্ৰন্থ মই কংগ্ৰেছৰ ফালৰ পৰা বা তাৰ কেন্দ্ৰীয় দপ্তৰৰ নিৰ্দ্দেশানুযায়ী লিখা প্ৰবন্ধ নহয়। ইয়াৰ জন্ম হৈছে সেৱাগ্ৰামত কিছুমান কংগ্ৰেছ কৰ্ম্মীৰ লগত হোৱা মোৰ আলোচনাৰ পৰা। তেওঁলোকে এইটো অনুভৱ কৰিছিল যে গঠনমূলক কাৰ্য্যপদ্ধতি আৰু আইন অমান্য আন্দোলনৰ মাজৰ সম্বন্ধ সম্পৰ্কে আৰু ইয়াৰ প্ৰথমটোৰ মতে কেনেকৈ কাম কৰিব লাগে—সেই বিষয়ে মোৰ কাপৰ পৰা কিছু শুনোৱা আৱশ্যক।

মই সেই আৱশ্যকতাৰ পূৰণ কৰিবলৈ চেষ্টা কৰিছোঁ এই পুস্তিকাৰ দ্বাৰা। ইয়াৰ সাৰাংশ খিনিয়েই সম্পূৰ্ণ নহয়, কিন্তু এই পদ্ধতিমতে কেনেকৈ কাম কৰিব লাগে সেই বিষয়ে যথেষ্ট আভাষ দিয়া হৈছে। পাঠক সকলে যেন ইয়াৰ বিষয়বোৰ স্বাধীনতা আন্দোলনৰ অংশ বুলি কোৱাৰ বাবে ইতিকিং কৰি ভুল নকৰে। বহুত মানুহে স্বাধীনতাৰ বা অহিংসাৰ লগত সহযোগ নৰখাকৈয়ে সৰু-ডাঙৰ বহুতো কাম কৰে। তেতিয়া তেওঁলোকে নিজৰ আশানুযায়ী সীমাবদ্ধ ফলহে পায়।

একেজন মানুহেই নাগৰিকৰ বেশত হয়তো একেবাৰেই নহব পাৰে কিন্তু সেনাপতিৰ বেশত ডাঙৰ মানুহ আৰু লাখ লাখ মানুহৰ প্ৰাণ হাতৰ মুঠিত ৰাখিব পৰা হৈ উঠিব পাৰে। সেইদৰে একমাত্ৰ দুখুনী বিধবাৰ হাতত থাকিলে চৰখাই কেবল তাইৰ বাবে অতি অলপীয়া ধনহে আৰ্জ্জি দিব পাৰে কিন্তু জৱাহৰলালৰ হাতত ই ভাৰতৰ স্বাধীনতাৰ এপাত অস্ত্ৰৰ স্বৰূপ। চৰখাই এই সন্মান পাইছে দপ্তৰৰ পৰা। এই দপ্তৰ হৈছে গঠনমূলক কাৰ্য্যপদ্ধতি যি ইয়াক অপৰাজেয় শক্তি আৰু সন্মান দিছে।

এয়েই মোৰ মত। ই অৱশ্যে বাতুলৰ মতো হব পাৰে। যদি কংগ্ৰেছ কৰ্ম্মীৰ মনোযোগ আকৰ্ষণ কৰিব নোৱাৰে, তেনেহলে মোৰ মত প্ৰত্যাহাৰ কৰিব পাৰে। কাৰণ গঠনমূলক কাৰ্য্য-পদ্ধতি বিনে আইন অমান্য আন্দোলন চলোৱাতো অৱশ হাতেৰে চামোচ তুলিবৰ চেষ্টা কৰাৰ তুল্য হব

—ঃ সমাপ্ত ঃ—

খনা	॥৶০
বিষাদৰ সুৰ	।০
অসমীয়া জন সাহিত্য	১।০
বাপুজীৰ বাণী	৫/০
অসমা	১।০
কোন বাটে	৸০
মুছোলিনী	৶০
বিভ্ৰান	২৲
প্ৰকৃতি কল্যাণ	৶০
কৌতুক (১ম খণ্ড)	।০
কলঙ্ক মোচন	১॥০
প্ৰতিফল	।০
কনৌজ কুঁৱৰী	১৸০
কানিবলগীয়া কথা	১।০
শোকৰ পৰিণাম	৸০
অহিংসত বাপুজী	।০
জয়তু বাপুজী	।০

Shakespear (Complete Work)	Rs. 8-0 0
The I.N.A. Heroes	4-8-0
The Sterling balance	0-6-0
Non violence the invincible Power	0-6 0
Unity talks Series	0-12-0
The Simla Conference	2-8-0
Gandhiji's Chronology	0-6-0
Income Wages & pay tables	2-0-0
Merce's Income Tables	3-4-0
Hadley's Magnetim and Electricity	6-8-0
Scholars English Dictionary	0-10-0

অৰ্ডাৰ দিওঁতে নাম ঠিকনা স্পষ্টকৈ লিখে যেন।

মেনেজাৰ,—

গ্ৰেজুৱেট্‌ ইউনিয়ন,

গুৱাহাটী।

গ্রেজুৱেট্‌চ্‌ ইউনিয়ন

গুৱাহাটী

তলৰ কিতাপবোৰ আমাৰ ইয়াত সুবিধা দৰত পাব। দূৰৈৰ গ্ৰাহকে অৰ্ডাৰৰ লগত আগধন পঠিয়াই যেন। আগধনৰ পৰিবৰ্ত্তে টিকট পঠিয়ালেও হব।

আগ্নেয়গিৰি	।০
শিখা	১।০
জীৱনমালা	॥০
৺শংকৰ গোস্বামী—	॥৶০
সতী আৰু পাৰ্ব্বতী	।৶০
কেঁদোৰ বাঘ	।৶০
ৰবীন্দ্ৰ নাথ	॥০
বামুণী কোঁৱৰ (নাটক)	১৲
কানবাৰ কথা	১।০
অপূৰ্ণ	॥৵০
কল্যাণী	।০
শ্ৰীশ্ৰীমাধৱদেৱ	।৶০
নামঘোষা	১॥০
সুৰ নিজৰা—	১।০
তুফান	৸০
আইটিৰ সাধু	১।৴০
চাজাৰকাৰ	৶০
শান্তি বা ন বোৱাৰী	।৴০
ধুমুহাৰ পাচত	॥০
কৌতুক (২য় খণ্ড)	॥৴০
বাৰহাৰ দৰ্শন	২৲
দিপাবলী	।৴০
বলাই বিহলা	।০
চন্দ্ৰকান্ত অভিধান	৮৲
গান্ধীজীৰ গঠনমূলক কাৰ্য্য পদ্ধতি	৸০
আজাদ-আবদুল্লা-গফুৰ	।৶০
ওহালি	।৹
বাৰ টকীয়া পণ্ডিত	।৴০
কায়স্থজাতিৰ অশৌচ ব্যৱস্থা	।৴০
আমাৰ পৃথিবী	॥০
অকণা	১।০
ব্যায়াম	॥০
বহাগী মেলা	।০
কিৰিঙতি	১৲

(সিপিঠিত)